Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## ধূপধৰাত বিকল চলন্ত ৰে'লৰ ইঞ্জিন

ই-সংবাদ, ধূপধৰা, গোৱালপাৰা, ২৪ মে': দেশৰ ভিতৰতে সবাতোকৈ দীঘলীয়া যাত্ৰা কৰা ৬ নং পৃষ্ঠাত

SUNDAY, MAY 25, 2025 ■ দেওবাৰ, ১০ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪৭ Guwahati, Assam ।। মূল্যঃ এটকা

## নিজৰ বাবে অকণমান সময়

■ ড০ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

জীৱনটো এখন নদীৰ দৰে, অবিৰত বৈ থাকে। কেতিয়াবা শান্ত, কেতিয়াবা অশান্ত। আমি সেই সোঁতত ডিঙা মেলি গৈ ৪ পৃষ্ঠাত



'নীতি আয়োগ'ৰ বৈঠকত সহযোগী চন্দ্ৰবাবু নাইডুৰ উপস্থিতিত বিৰোধী ষ্টেলিনলৈ চাই মোদীৰ হাঁহি

## দ্বিতীয়বাৰৰ বাবে পুঞ্চ ভ্ৰমণ ৰাহুল গান্ধীৰ

পুঞ্চ, ২৪ মে': প্ৰধানমন্ত্ৰীয়ে আওকাণ কৰি চলিলেও পেহেলগাম আক্ৰমণৰ পিছত দ্বিতীয়বাৰৰ বাবে ৩ পৃষ্ঠাত

## ৰাজপথত বিজেপি নেতাৰ যৌন উন্মাদনা

মুম্বাই, ২৪ মে': শেহতীয়াকৈ নাৰীবিদ্বেষী কাণ্ডৰে চৰ্চাত আছে দেশৰ অন্যতম শক্তিশালী দল ৩ পৃষ্ঠাত

## মহিলাক বেৰেকত নিৰ্যাতন! ২ জেল কৰ্মচাৰীক গ্ৰেপ্তাৰ

ই-সংবাদ, ২৪ মে': আইনক ভেঙুচালি কৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থা থকা ৰাজ্যৰ কাৰাগাৰৰ শেষাংশ ২ পৃষ্ঠাত

'আপোনালোকে হেণ্ডকাফ দেখিছে, আমি ছীপজৰীডাল দেখিছো'

# স্থিতি স্পষ্ট, আছুৰে নলয় শংকৰজ্যোতিৰ পক্ষ

■ আশা নকৰাই ভালঃ ড০ সমুজ্জ্বল

ই-সংবাদ, ২৪ মে': দুলীয়াজান তেল ডিপো কাণ্ডক লৈ সৰ্বাত্মক দুলীয়াজান বন্ধ হ'ল। তেল ডিপো কাণ্ডক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত আছে। কিন্তু বিগত ২নং পৃষ্ঠাত



উৎপল শৰ্মাৰ সংবাদমেল সম্বোধন

## আলফাৰ কমাণ্ডাৰ ৰূপম অসমক গ্ৰেপ্তাৰ

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৪ মে' : অসম-অৰুণাচল সীমান্তৱৰ্তী জাগুন ৫ পৃষ্ঠাত

## সীমান্তত পাক নাগৰিক নিহত

ভাৰতত অনুপ্ৰৱেশৰ চেষ্টা

নতুন দিল্লী, ২৪ মে': আন্তঃৰাষ্ট্ৰীয় সীমান্ত পাৰ হৈ ভাৰতত প্ৰৱেশ ৫ পৃষ্ঠাত

## শ্বাহক লৈ মন্তব্য! বিপদত ৰাহুল গান্ধী

ৰাঁচী, ২৪ মে': কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক লৈ কৰা বিতৰ্কিত ৫ নং পৃষ্ঠাত

## শংকৰ, শৃংখলক 'চান্দাজীৱী' আখ্যা দি তনুৰ পক্ষত অখিল!



ই-সংবাদ, ২৪ মে': শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে শংকৰজ্যোতি বৰুৱাৰ গ্ৰেপ্তাৰক লৈ বিতৰ্কিত মন্তব্য দি ৩ পৃষ্ঠাত

ক্ষতিপূৰণ প্ৰদানৰ দাবী

## মণিপুৰৰ কৃষকৰ বাবে কংগ্ৰেছৰ 'কিষাণ ন্যায়'

ইম্ফল, ২৪ মে': মণিপুৰত বিগত দুটা বছৰ ধৰি অব্যাহত থকা জাতিগত হিংসাত ভয়ংকৰভাৱে ৩ পৃষ্ঠা চওক

## পাকিস্তানৰ মুখা খুলিবলৈ ভিন্ন দেশলৈ ভাৰতৰ প্ৰতিনিধি দল, সন্ত্ৰাসবাদক লৈ বাৰ্তা

টকিঅ', ২৪ মে': জাপানৰ ৰাজধানীত থিয় হৈ পাকিস্তানক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি ল'লে তৃণমূলৰ সাংসদ অভিষেক বেনাৰ্জীয়ে। ভাৰতৰ কূটনৈতিক ৪ পৃষ্ঠাত



## '৪৭ৰ ভিতৰত উন্নত ভাৰত গঢ়াৰ লক্ষ্য প্ৰধানমন্ত্ৰীৰ

দিল্লীত নিটি আয়োগৰ বৈঠক

নতুন দিল্লী, ২৪ মে': ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ ভূমিকাৰ ওপৰত পুনৰ এবাৰ গুৰুত্ব আৰোপ কৰিলে ৬ নং পৃষ্ঠাত

মৰিগাঁও-শিৱাগৰত জালত ১২ অনুপ্ৰৱেশকাৰী

## বাংলাদেশীৰ চৰণীয়া পথাৰত পৰিণত থলুৱাৰ অসম!

ই-সংবাদ, গুৱাহাটী- মৰিগাঁও, ২৪ মে': মৰিগাঁও আৰক্ষীয়ে আজি জিলাখনত বাংলাদেশী নাগৰিকৰ বিৰুদ্ধে চলোৱা এক ৬ নং পৃষ্ঠাত



## বিজেপিৰ সদস্য নোহোৱাৰ বাবে কৰ্তন 'লাখপতি দিদি'

ই-সংবাদ, গুৱাহাটী, ২৪ মে': নিৰ্বাচনৰ পিছত বিভিন্ন আঁচনিৰ পৰা বাদ পৰে বহু হিতাধিকাৰীৰ নাম। বিজেপিৰ বাহিৰে ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেৰেকত মহিলাক নিৰ্যাতন! ২ জেল

ভিতৰতো সুৰক্ষিত নহয় নাৰী। ৰাজ্যত বিভিন্ন প্ৰান্তত নাৰীজনিত ঘটনা বৃদ্ধি পোৱাৰ সময়তে এইবাৰ বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাত সংঘটিত হৈছে এক ভয়ংকৰ কাণ্ড। শ্ৰীভূমি কাৰাগাৰৰ পৰিসৰৰ ভিতৰত গণধৰ্ষণৰ ঘটনা সংঘটিত পোহৰলৈ আহিছে। কাৰাগাৰৰ ভিতৰত বিশেষভাৱে সক্ষম মহিলাক গণধৰ্ষণ কৰাৰ অভিযোগ উঠিছে। এই ঘৃণনীয় কাণ্ড সংঘটিত কৰা বুলি অভিযোগ উঠিছে দুজন কনিষ্টবলৰ বিৰুদ্ধে। ইতিমধ্যে কাৰাগাৰৰ ভিতৰতে দুই কনিষ্টবলক গ্ৰেপ্তাৰ কৰা হৈছে। দুই কনিষ্টবল হৈছে ব্ৰজেন কলিতা আৰু হৰেশ্বৰ কলিতা। এই নিকৃষ্ট কাৰ্য সংঘটিত হৈছিল কালি নিশা। কালি নিশা পূৰ্ব পৰিকল্পনা অনুসৰি ব্ৰজেন কলিতা আৰু হৰেশ্বৰ কলিতাই বৰ্বৰ কাণ্ড সংঘটিত কৰে। কনিষ্টবল ব্ৰজেন কলিতা আৰু হৰেশ্বৰ কলিতা ছুটীত আছিল। কিন্তু ঘৰলৈ যোৱাৰ পৰিৱৰ্তে কাৰাগাৰ চৌহদতে আছিল। নিশা গোপনে ওলাই আহি বিশেষভাৱে সক্ষম মহিলাগৰাকীক প্ৰলোভন দেখুৱাই কাৰাগাৰৰে সুৰক্ষিত অঞ্চললৈ নিয়ে। গোপন স্থান এনে মহিলাৰ সৈতে অশ্লীল কাণ্ড সংঘটিত কৰি থকাৰ সময়তে কনিষ্টবল দুজনক হাতে-লোটে ধৰা পৰে। এই ঘটনা হাতে-লোটে ধৰে কৰ্তব্যৰত কনিষ্টবলে। তাৰ পাছতে তৎকালীনভাৱে দুয়োজনক গ্ৰেপ্তাৰ কৰা হয়। ঘটনাক লৈ তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। এই ঘটনাই বৰাকত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। ৰাইজে ঘটনাক তীব্ৰ নিন্দা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্থিতি স্পষ্ট, আছুৱে নলয় শংকৰজ্যোতিৰ

এটা সপ্তাহ ধৰি নিমাতে আছিল সদৌ অসম ছাত্ৰ সন্থা। কিন্তু নীৰৱতা ভংগ কৰি আজি আছুৱে কোনো কাৰণত শংকৰজ্যোতি বৰুৱাৰ পক্ষ ল'ব নোৱাৰিম বুলি আছুৰ দুই শীৰ্ষ নেতাই স্পষ্ট কৰিছে। আজি আছুৱে শকংৰজ্যোতি বৰুৱাৰ পক্ষত নাই বুলি উল্লেখ কৰি আছুৰ শীৰ্ষ দুই নেতা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাই আছুৰ সদস্যাক বিয়া কৰোৱাৰ প্ৰলোভন দি যৌন শোষণ চলোৱা শংকৰজ্যোতি বৰুৱাৰ সমৰ্থন কেতিয়াও নকৰে। এগৰাকী আছুৰ সদস্যাই বিয়াৰ প্ৰলোভনেৰে যৌন শোষণ কৰাৰ অভিযোগ অনাত বহিস্কাৰৰ ভয়ত আছুৰ পৰা পদত্যাগ কৰা শংকৰজ্যোতি বৰুৱাই আছুৰ পৰা একো আশা নকৰাই ভাল বুলি কয় দুয়োগৰাকী নেতাই। উল্লেখ্য যে, দুলীয়াজানৰ বিএন সিঙক তেল ডিপোত দুটা অনা-অসমীয়া ব্যৱসায়ীৰ সংঘাতৰ মাজতে কাজিয়া ভাঙিবলৈ যোৱা আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ লগতে আন কেইবাজনো যুৱকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰা হৈছিল। আদালতত হাজিৰ কৰিবলৈ নিয়াৰ সময়ত শংকৰজ্যোতি বৰুৱাক হাতত হেণ্ডকাফ লগাই ঘূৰাই ফুৰিছিল। ইমানে নহয় সংঘাতৰ সময়ত অসমীয়া জাতিক অপমান কৰিছিল হিন্দীভাষী যুৱতীয়ে। সংঘাতৰ সময়তে তনু শ্বাহী নামৰ যুৱতীয়ে 'য়ে লগ সব ফ্ৰী মে খানাৱেলা আদমী হ্যে'-সকলোক ফ্ৰী মে খানা ৱালে লোগ হ্যে' বুলি অসমীয়া জাতিক অট্টহাস্য কৰে। অসমৰ জাতীয় সংগঠনক উদ্দেশ্যে অনা-অসমীয়াই যুৱতীয়ে এনেদৰে কোৱাৰ লগতে ইয়াত থকা সকলো দালাল, ফ্ৰিত খোৱা মানুহ, ফ্ৰিত ৰুটি খোৱা মানুহ বুলি কৈ যুৱতীয়ে জাতীয় সংগঠনক দুৰ্ঘোৰ অপমান কৰাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তনু শ্বাহী নামৰ বিহাৰী যুৱতীয়ে অসমীয়া জাতিটোক নেতৃত্বত দিয়া জাতীয় সংগঠনতেইটাক অপমান কৰাৰ পিছতো সদৌ অসম ছাত্ৰ সন্থাই মুখত পিঠা ভৰাই ৰখা বুলি অভিযোগ উত্থাপন হৈছিল। প্ৰায় এটা সপ্তাহে সদৌ অসম ছাত্ৰ সন্থাই নীৰৱে থাকে। তাৰ পিছতে আজি আছুৱে মুখ খুলি তনু শ্বাহীয়ে অসমীয়াক অপমান কৰাৰ ঘটনাক গুৰুত্ব দিয়াৰ পৰিৱৰ্তে শংকৰজ্যোতি বৰুৱাক আক্ৰমণৰ লক্ষ্য কৰি লয়। সেই ঘটনাত শংকৰজ্যোতি বৰুৱা জড়িত নাছিল বুলি সংঘাতত লিপ্ত দুয়ো পক্ষই। তাৰ পিছকো ৰাজনৈতিক আক্ৰোশৰ বলি হৈ শংকৰজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ কৰি হাতকেৰেয়া লগাই আদালতলৈ নিয়া হয়। তেনে সময়তে আছুৰ স্থিতিক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আছু নিমাতে থকাত প্ৰতিক্ৰিয়াৰ মাজতে আজি মুখ খোলে আছুৱে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই কয় যে এখন ব্যক্তিগত কাজিয়াত সদৌ অসম ছাত্ৰ সন্থাই সময় শক্তি অপব্যয় কৰাত কোনো চিন্তা কৰা নাই। ছাত্ৰ সন্থাৰ এগৰাকী সদস্যাক যিগৰাকী লোকে বিয়া পতাৰ প্ৰলোভন দি শৰীৰিক নিৰ্যাতন, যৌন উৎপীড়ন চলোৱাৰ অভিযোগ আছে, সেইজন ব্যক্তিৰ কাষত আমি থিয় দিয়াৰ কথাও ভবাটো অনুচিত। লগতে উৎপল শৰ্মাই কয় যে দুটা ব্যৱসায়ীক সংঘাতৰ ছাত্ৰ সন্থাৰ বিষয়বস্তু নহয়। সময়, শক্তি অপচয় নকৰে। যিজন লোকৰ কথা কোৱা হৈছে তেওঁ সদৌ ইসম ছাত্ৰ সন্থাৰে এগৰাকী সদস্যাক বিয়াৰ প্ৰলোভনেৰে যৌন শোষণ চলোৱাৰ অভিযোগত অভিযুক্ত। ছাত্ৰ সন্থাৰ মজিয়াত বহিষ্কাৰ হোৱাৰ ভয়ত আঁতৰি গৈছিল। ছাত্ৰ সন্থাৰ সেই সদস্যাগৰাকী আজিও আছুত আছে। তেওঁ আজিও আদালতলৈ দৌৰি আছে। ঘটনাক লৈ আছুৱে গঠন কৰি দিয়া ১০ জনীয়া সমিতিয়ে প্ৰথম প্ৰতিবেদন দিছে। প্ৰতিবেদনত বহু অভিযোগ উঠিছে। তেনে এজন লোকৰ সপক্ষে ছাত্ৰ সন্থাৰ স্থিতি থকাৰ কোনো প্ৰশ্নই থাকিব নোৱাৰে। সেই কাৰণে ছাত্ৰ সন্থাই তেওঁৰ সপক্ষে স্থিতি ল'ব বুলি ভবাটো অনুচিত। তনু শ্বাহীয়ে জাতিক অপমান কৰা সন্দৰ্ভত মুখ খুলি উৎপল শৰ্মাই কয় যে যদিহে অসমৰ মানুহে ফ্ৰীতে খোৱা বুলি কৈছে তেন্তে সেয়া গ্ৰহণযোগ্য নহয়। জাতিক লৈ যদি যুৱতীগৰাকীয়ে মন্তব্য কৰিছে তেতিয়া হ'লে শাস্তি বিহিব লাগে। দুলীয়াজান কাণ্ডক লৈ মুখ খুলিলে আছুৱে। বিহাৰৰ যুৱক-যুৱতীয়ে তাত কাম-কাজ নাই বাবে বেলেগ ৰাজ্যলৈ পলায়ন কৰে। তেনেকুৱা এখন ৰাজ্যৰ বংশোদ্ভৱ এগৰাকী ব্যক্তিয়ে অসমত ফ্ৰী মে খানেৱালা বুলি কোৱাটো কোনোকাৰণতে গ্ৰহণযোগ্য নহয়। যদি জাতিটোক লৈ তেওঁ তেনে বিৰূপ মন্তব্য কৰিছে, আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰক্ষীয়েও স্থিতি স্পষ্ট কৰা উচিত। অসমীয়া জাতি বা জাতীয় সংগঠনক লৈ এই অপমান কৰিছে তেন্তে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তনু শ্বাহীয়ে কাৰ কথা কৈছে স্পষ্ট হ'ব লাগে বুলি উল্লেখ কৰে উৎপল শৰ্মাই। যদি জাতিটোক লৈ অপমানসূচক মন্তব্য কৰিছে, সেয়া কোনোকাৰণতে এয়া গ্ৰহণযোগ্য নহয়, আমি চৰকাৰক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছো। আনহাতে, আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই শংকৰজ্যোতি বৰুৱাৰ হৈ মাত নিদিয়া সন্দৰ্ভৰ অভিযোগক লৈ কয় যে বিয়া কৰাম বুলি যৌন শোষণৰ অভিযোগত অভিযুক্ত শংকৰজ্যেতি বৰুৱা। তেওঁৰ সপক্ষে আছুৱে স্থিতি লোৱাৰ প্ৰশ্নই নাহে। তেওঁৰ সপক্ষে স্থিতি ল'ম বুলি আশা কৰাটোৱেই ভুল। আশা কৰাটো ভুল হৈছে। বহিস্কাৰৰ ভয়ত প্ৰাথমিক সদস্যৰ পৰা পদত্যাগ কৰিছিল। বিয়াৰ প্ৰলোভনেৰে যৌন শোষণ চলোৱাৰ অভিযোগত অভিযুক্ত হৈ ছাত্ৰ সন্থাৰ পৰা বহিষ্কাৰৰ ভয়ত পলাই যাব লগা হৈছিল শংকৰজ্যোতি বৰুৱাই। শংকৰজ্যোতি বৰুৱাৰ ঘটনাৰ তদন্ত কমিটীৰ দ্বিতীয়খন প্ৰতিবেদনৰ ওপৰতো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখ্য যে আজু সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনুষ্ঠিত হয়। গুৱাহাটীৰ উজানবজাৰস্থিত বিবেকানন্দ প্ৰেক্ষাগৃহত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত কেইবাটাও বিষয় আলোচনা কৰে আছুৱে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত সুৰাৰ বিপণী খোলাৰ অনুমতি দিয়া সিদ্ধান্তক হঠকাৰী সিদ্ধান্ত আখ্যা দিয়ে আছু। শীঘ্ৰে এই সিদ্ধান্ত বাতিল কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাই দাবী জনায়। ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়ত সহকাৰী অধ্যাপক নিযুক্তি দিয়া সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আছুৱে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# শংকৰ, শৃংখলক 'চান্দাজীৱী' আখ্যা দি

প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। লোকৰ বিজনেছ দখল কৰিবলৈ যোৱাটো ভাল কথা নহয় আৰু তনু শ্বাহী নামৰ বিহাৰী যুৱতীগৰাকীয়ে অসমীয়া জাতিক নহয়, জাতীয়তাবাদৰ সংকীৰ্ণতা উদঙালে বুলি দাবী কৰে অখিল গগৈয়ে। ইমানে নহয় অখিল গগৈয়ে তনু শ্বাহীয়ে অসমীয়া জাতিক গালি দিয়া নাই, কেইজনমান ছান্দাজীৱীৰহে মুখা খুলিছে বুলি বক্ৰোক্তি কৰে অখিল গগৈয়ে। অখিল গগৈয়ে যিকেইটা সংগঠনে দুই ব্যৱসায়ীৰ মাজৰ সংঘাত ভাঙিবলৈ গৈছিল আৰু শংকৰজ্যোতি বৰুৱাক হেণ্ডকাফ লগোৱা ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈছিল সেইসকলক অখিল গগৈয়ে ছান্দাজীৱী আখ্যা দিয়ে। অখিল গগৈয়ে তনু শ্বাহীৰ পক্ষ লোৱাই নহয় অসমৰ সংগঠন কৰা যুৱকক ছান্দাজীৱী আখ্যা দিয়ে। অখিল গগৈয়ে আজি সংবাদ মাধ্যমৰ মুখামুখি হৈ বিতৰ্কিত মন্তব্য প্ৰদান কৰিছে। অখিল গগৈয়ে কয় যে শংকৰজ্যোতি বৰুৱাক হেণ্ডকাফ লগোৱা কথাটোত তীব্ৰ বিৰোধিতা কৰিছো। লগে মোৰ ভাই শৃংখল চলিহাৰ গ্ৰেপ্তাৰক তীব্ৰ বিৰোধিতা কৰিছো। তেওঁক অতি সোনকালে এৰি দিবলৈ দাবী জনাইছিলো। কিন্তু একেটা সময়তে লোকৰ বিজনেছত কোনোবাই যদি বেদখল কৰিবলৈ যায় সেইটো আকৌ ভাল কথা নহয়। ছোৱালীজনীয়ে যি কথাবোৰ কৈছে আমাৰ কিছুমান ল'ৰা যিসকলে উপৰুৱা চান্দা সংস্কৃতিত-দুষ্কৃতিত জড়িত সিঁহতৰ মুখাখনো খুলি দিছে। অসমীয়া জাতীয়াতবাদৰ সংজ্ঞাটো আনৰ বিজনেছ দখল কৰিব যোৱাটো নহয়। জাতীয়তাবাদৰ সংজ্ঞাটো হ'ব লাগে উৎপাদনমুখী। অসমীয়া জাতীয়তাবাদক একেবাৰে সংকীৰ্ণ আৰু উগ্ৰ হ'ব নালাগে। মাৰধৰ কৰাৰ পৰ্যায়লৈ যাব নালাগে। এই ঘটনাই উদঙাই যোৱা অসমীয়া জাতীয়তাবাদৰ সংকীৰ্ণতা প্ৰকাশ পালে। এনে হৈছে যে দুটা পাৰ্টীৰ মাজত বিজনেছক লৈ কাজিয়া লাগিছে তাৰ মাজত আমাৰ ল'ৰাই গৈ হামলা দিবলৈ গৈছে। তেনে কৰিবলৈ যাওঁতে সাধাৰণ ছোৱালী এজনীয়া আমাৰ ল'ৰাবোৰক কিমান গালি দিছে। ল'ৰাবিলাকক দিয়া গালিটো আকৌ অসমীয়া জাতিক দিয়া গালি বুলি কৈ দিছে। এই বিষয়টো অলপ ভাবি চাবলগীয়া। অখিল গগৈৰ এনে মন্তব্যৰ পিছতেই মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দ্বিতীয়বাৰৰ বাবে পুঞ্চ ভ্ৰমণ ৰাহুল গান্ধীৰ

জম্মু-কাশ্মীৰত উপস্থিত হ'ল লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী। জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাত শনিবাৰে উপস্থিত হৈ সীমান্তত পাকিস্তানৰ গোলাবৰ্ষণত নিহতসকলৰ পৰিয়ালক সাক্ষাৎ কৰে ৰাহুল গান্ধীয়ে। পুৱা জম্মু বিমানবন্দৰৰ পৰা হেলিকপ্টাৰেৰে তেওঁ পুঞ্চত উপস্থিত হয়। ইয়াৰ পিছতে পাকিস্তানৰ আৰ্টিলাৰীৰ গোলাত ক্ষতিগ্ৰস্ত গুৰদ্বাৰ, মন্দিৰ, মাদ্ৰাছা আৰু খ্ৰীষ্টান মিছনেৰী স্কুলৰ ধ্বংসাৱশেষ পৰিদৰ্শন কৰাৰ লগতে মৃত আৰু আহতসকলৰ পৰিয়ালক সাক্ষাৎ কৰে কংগ্ৰেছ নেতাগৰাকীয়ে। পাকিস্তানৰ গোলাবৰ্ষণত ধ্বংস হোৱা এখন খ্ৰীষ্টান বিদ্যালয়ৰ সন্মুখৰ পথত হোৱা ক্ষয়-ক্ষতি পৰিদৰ্শন কৰাৰ পিছত ৰাহুল গান্ধীয়ে বিদ্যালয়খনো পৰিদৰ্শন কৰে। পাকিস্তানৰ গোলাবৰ্ষণত প্ৰাণ হেৰুৱাইছিল এই বিদ্যালয়ৰ তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে। জম্মু-কাশ্মীৰ কংগ্ৰেছৰ সভাপতি তাৰিক হামিদ কাৰাই কয়, "ৰাহুল গান্ধী হৈছে নিহতসকলৰ কাষত থিয় দিয়া প্ৰথমজন ৰাষ্ট্ৰীয় নেতা। তেওঁ কেৱল শোক প্ৰকাশ কৰাই নহয়, দেশৰ ঐক্য আৰু সহানুভূতিৰ বাৰ্তাও প্ৰেৰণ কৰিবলৈ আহিছে।" উল্লেখ্য যে, ২২ এপ্ৰিলত ২৬ জন লোকৰ মৃত্যু হোৱা নৃশংস পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত এয়া দ্বিতীয় জম্মু-কাশ্মীৰ ভ্ৰমণ ৰাহুল গান্ধীৰ। ইয়াৰ পূৰ্বে ২৫ এপ্ৰিলত তেওঁ আহতসকলক সাক্ষাৎ কৰিবলৈ শ্ৰীনগৰলৈ যায় আৰু সেই সময়ছোৱাত তেওঁ উপ-ৰাজ্যপাল মনোজ সিনহা, মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা আৰু অন্যান্য গুৰুত্বপূৰ্ণ ব্যক্তিৰ সৈতে বৈঠকত মিলিত হয়। সেই সময়ত তেওঁ কৈছিল, "এই সন্ত্ৰাসবাদী আক্ৰমণ দেশক বিভক্ত কৰিবলৈ কৰা হৈছে। কিন্তু ভাৰত যদি ঐক্যবদ্ধভাৱে থিয় হয় তেন্তে কোনো শক্তিয়ে আমাক পৰাস্ত কৰিব নোৱাৰিব।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজপথত বিজেপি নেতাৰ যৌন উন্মাদনা

বিজেপিৰ বহু নেতা। দেশৰ বীৰাংগনাক লৈ কৰা আপত্তিজনক মন্তব্যৰ বাবে কোনো বিজেপি বিধায়কৰ বিৰুদ্ধে যদি আৰম্ভ হৈছে তদন্ত, আন কোনো যৌন নিৰ্যাতনত দোষী সাব্যস্ত বিজেপি নেতাৰ খাৰিজ হৈছে বিধায়ক পদ। এনে সময়তে এইবাৰ ৰাজপথত যৌন উন্মাদনা দেখুৱাই বিতৰ্কৰ মাজত সোমাই পৰিছে আন এজন বিজেপি নেতা। মুম্বাই-দিল্লী এক্সপ্ৰেছৱে'ত নগ্ন মহিলাৰ সৈতে যৌন অভিসাৰৰ আপত্তিজনক ভিডিঅ' ভাইৰেল হোৱাৰ পিছতে মহাৰাষ্ট্ৰৰ বিজেপি নেতা মনোহৰ লাল ধাকৰৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰিছে আৰক্ষীয়ে। ভাইৰেল ভিডিঅ'টোত এগৰাকী মহিলাৰ সৈতে অশ্লীল অৱস্থাত ৰাজপথত প্ৰত্যক্ষ হয় ধাকৰক। ১৩ মে'ত সংঘটিত এই ঘটনাৰ সমগ্ৰ দৃশ্য বন্দী হৈছিল চিচিটিভিত। এই ঘটনাৰ পিছত বাহনখনৰ পঞ্জীয়ন নম্বৰ পৰীক্ষা কৰাত ধাকৰৰ নামত পঞ্জীয়ন হৈ থকা বুলি জানিব পৰা যায়। পৰিবহণ বিভাগৰ ৰেকৰ্ড অনুসৰি ভিডিঅ'টোত দেখা বগা গাড়ীখন ধাকৰৰ। বিজেপি নেতাজনৰ এনে অশ্লীল কাণ্ডক লৈ এতিয়া উত্তাল হৈ পৰিছে মহাৰাষ্ট্ৰৰ লগতে সমগ্ৰ দেশৰ ৰাজনীতি। উল্লেখ্য যে মন্দসৌৰ জিলাৰ বাসিন্দা মনোহৰ লাল ধাকৰৰ পত্নী বাণী গাঁৱৰ ৮ নং ৱাৰ্ডৰ নিৰ্বাচিত জিলা পঞ্চায়ত সদস্য। ইফালে এই ঘটনাৰ পিছতে ধাকৰ মহাসভা যুৱ সংগঠনে তেওঁক ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদকৰ পদৰ পৰা অপসাৰণ কৰিছে। সংগঠনটোৱে এনে আচৰণ সংগঠনটোৰ মতাদৰ্শৰ বিপৰীত বুলি উল্লেখ কৰিছে। আনহাতে এই ঘটনা পোহৰলৈ অহাৰ পিছত ধাকৰৰ পৰা গা এৰা দিয়া দেখা গৈছে বিজেপিক। বিজেপিয়ে এক স্পষ্টীকৰণ দি কয় যে ধাকৰ বিজেপিৰ প্ৰাথমিক সদস্য নহয়, তেওঁ কেৱল অনলাইনতহে নাম পঞ্জীয়ন কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰৰ কৃষকৰ বাবে কংগ্ৰেছৰ 'কিষাণ

আৰ্থিক লোকচানৰ সন্মুখীন হৈছে ৰাজ্যখনৰ কৃষকসকল। কিন্তু তাৰ পিছতো সেই কৃষকসকলৰ বাবে কোনো ধৰণৰ সাহায্যৰ ব্যৱস্থা নকৰিলে চৰকাৰে। -এই অভিযোগেৰে মণিপুৰত সৰৱ হৈ পৰিল কংগ্ৰেছ। শনিবাৰে ইম্ফলৰ কংগ্ৰেছ ভৱনত 'কিষাণ ন্যায় যোদ্ধা' অভিযান আৰম্ভ কৰি অল ইণ্ডিয়া কিষাণ কংগ্ৰেছৰ অধ্যক্ষ সুখপাল সিং খাইৰাই কয়, "২০২৩ চনৰ পৰা মণিপুৰৰ কৃষকসকল কৰ্মহীন হৈ আছে। বিজেপি চৰকাৰে ৩০ কোটি টকা ক্ষতিপূৰণ ঘোষণা কৰিছিল, কিন্তু এটকাও পোৱা নাই।" তেওঁ লগতে কয়, "কৃষকসকলে এতিয়াও নিজৰ মাটিলৈ উভতি যাব পৰা নাই। খেতি কৰাতো দূৰৈৰ কথা, বহুতে নিজৰ মাটিলৈ যাবলৈও অক্ষম। এই মুহূৰ্তত কৃষকসকলে বাস্তৱত ২৫০ কোটি টকাৰো অধিক ক্ষতিৰ সন্মুখীন হ'বলগীয়াত পৰিছে।" একে সময়তে খাইৰাই সাম্প্ৰদায়িক হিংসাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি কয়, "মণিপুৰত যি ঘটিল সেয়া লজ্জাজনক। নিৰীহ মহিলাক ধৰ্ষণ, মানুহক প্ৰহাৰ- এইবোৰ বৰ্বৰতা। কিন্তু ইমানৰ পিছতো চৰকাৰ মৌন হৈ থাকিল, কোনো ব্যৱস্থাই গ্ৰহণ নকৰিলে। এতিয়াও ভুক্তভোগীয়ে ন্যায়ৰ বাবে অপেক্ষা কৰিবলগীয়া হৈছে।" তেওঁ এই প্ৰশ্ন উত্থাপন কৰে, "যেতিয়া দেশত বহু তৰপীয়া অৰ্থনীতিৰ কথা কোৱা হৈছে, তেতিয়া সংখ্যালঘু আৰু নাৰীৰ ওপৰত এই অত্যাচাৰ দেশৰ গণতন্ত্ৰৰ এক ক'লা অধ্যায় নহয়নে?" খাইৰাই কয় যে 'কিষাণ ন্যায় যোদ্ধা' অভিযানৰ জৰিয়তে কংগ্ৰেছৰ কৃষক শাখাই সমগ্ৰ দেশৰ কৃষকৰ অধিকাৰৰ দাবীত মাত মাতিব। নাগৰিক সমাজ আৰু সকলো ৰাজনৈতিক শক্তিক একত্ৰিত হৈ মণিপুৰৰ কৃষকৰ কাষত থিয় দিবলৈও তেওঁ সকলোকে আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ মুখা খুলিবলৈ ভিন্ন দেশলৈ

অভিযান ‘অপাৰেচন সেন্দুৰ’ৰ উদ্দেশ্য আৰু পাকিস্তানৰ সন্ত্ৰাসবাদী নীতি বিশ্বৰ সন্মুখত দাঙি ধৰাৰ উদ্দেশ্যৰে ভাৰতে আৰম্ভ কৰা সৰ্বদলীয় প্ৰতিনিধি দলৰ অংশ হিচাপে টকিঅ’ ভ্ৰমণত আছে অভিযেক। তাৰ পৰাই পাকিস্তানক স্পষ্ট বাৰ্তা প্ৰদান কৰি তেওঁ কয়, "ভাৰতে নতশিৰ নকৰে। আমি সন্ত্ৰাসবাদৰ ভয়ত নতমস্তক নহওঁ। যদি সন্ত্ৰাসবাদ এটা উন্মাদ কুকুৰ হয়, তেন্তে পাকিস্তান ইয়াৰ উন্মাদ মালিক। এই মালিকক ৰখাব লাগিব, নহ'লে ই আৰু উন্মাদ কুকুৰৰ জন্ম দিব।" অভিযেকে কয় যে ভাৰতে ৰাজনৈতিক বিভাজনৰ ওপৰত উঠি সন্ত্ৰাসবাদ বন্ধ কৰিবলৈ একেলগে যুঁজি আছে। তেওঁ কয়, "যদিও আমি বিভিন্ন ৰাজনৈতিক দলৰ পৰা আহিছো, আজি আমি এখন মঞ্চত থিয় দি একেই বাৰ্তা দিছো যে পাকিস্তানে সন্ত্ৰাসবাদক প্ৰশ্ৰয় দি আহিছে। আজি ই ভাৰতৰ বিৰুদ্ধে হ'ব পাৰে, কাইলৈ হয়তো আন এখন দেশৰ বিৰুদ্ধে হ'ব। গতিকে পাকিস্তানৰ বিৰুদ্ধে এতিয়া সমগ্ৰ বিশ্ব একত্ৰিত হোৱাৰ প্ৰয়োজন।"

ইফালে, পাকিস্তানৰ ‘ভুক্তভোগী নাটক’ৰ কথাও তেওঁ উত্থাপন কৰে। তেওঁ কয়, "১৫ দিন অপেক্ষা কৰাৰ পিছত আমি প্ৰতিশোধ লৈছো। পাকিস্তানে সদায় নিজকে ভুক্তভোগী হিচাপে চিত্ৰিত কৰে, আৰু আভ্যন্তৰীণভাৱে সন্ত্ৰাসবাদক সমৰ্থন কৰে। লস্কৰ-ই-তৈবা ওৰফে 'দ্য ৰেজিষ্টেন্স ফ্ৰন্ট'-এ পেহেলগাম আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। বিশ্বই এতিয়াই পাকিস্তানৰ প্ৰকৃত চেহেৰা দেখা উচিত।" এই ভ্ৰমণত অভিযেকৰ সৈতে আছে জেডিইউৰ সাংসদ সঞ্জয় ঝাৰ নেতৃত্বত সৰ্বদলীয় প্ৰতিনিধি দল। প্ৰতিনিধি দলটোত আছে বিজেপিৰ হেমাংগ যোশী, অপৰাজিতা সাৰংগী, ব্ৰীজলাল, প্ৰদান বৰুৱা, চিপিএমৰ জন ব্ৰিটাছ আৰু প্ৰাক্তন কূটনীতিবিদ মোহন কুমাৰ। তেওঁলোকৰ মূল লক্ষ্য হৈছে জাপান আৰু অন্যান্য কৌশলগত অংশীদাৰ দেশসমূহৰ সন্মুখত ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী স্থিতি আৰু সীমান্তৰ সিপাৰৰ পৰা সন্ত্ৰাসবাদী ভাবুকিৰ বাস্তৱিক ছবি দাঙি ধৰে। জাপানৰ পিছত প্ৰতিনিধি দলটোৱে দক্ষিণ কোৰিয়া (২৪ মে’), ছিংগাপুৰ (২৭ মে’), ইণ্ডোনেছিয়া (২৮ মে’) আৰু মালয়েছিয়া (৩১ মে’) লৈ যাত্ৰা কৰিব।

উল্লেখ্য যে পাকিস্তানৰ প্ৰকৃত মুখা বিশ্বৰ আগত খুলিবলৈ ইতিমধ্যে ৩৩ খন দেশলৈ ৭ টা সৰ্বদলীয় প্ৰতিনিধি দল প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইফালে, দ্বিতীয়টো প্ৰতিনিধি দল বৰ্তমান সংযুক্ত আৰব আমীৰশ্বাহীত আছে। এই দলৰ নেতৃত্বত আছে শিৱসেনাৰ শ্ৰীকান্ত সিন্দে। ভ্ৰমণসূচী অনুসৰি ইয়াৰ পিছত তেওঁলোকে লাইবেৰিয়া, কংগো, ছিয়েৰা লিয়নলৈ যাত্ৰা কৰিব। এই দলটোত বিজেপিৰ বাসুৰী স্বৰাজ, অতুল গাৰ্গ, মনন কুমাৰ মিশ্ৰ, বিজেডিৰ সাংসদ শস্মিত পাত্ৰ, আই ইউ এম এলৰ ই টি মহম্মদ বছিৰ, বিজেপিৰ এছ এছ আহলুৱালিয়া আৰু প্ৰাক্তন কূটনীতিবিদ সুজান চিনয়। তৃতীয়টো প্ৰতিনিধি দলৰ নেতৃত্বত আছে ডি এম কেৰ সাংসদ কানিমোঝি কৰুণানিধি। বৃহস্পতিবাৰে ৰাছিয়া, শ্লোভেনিয়া, গ্ৰীচ, লাটভিয়া, স্পেইনলৈ ৰাওনা হয় দলটো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিজৰ বাবে অকণমান সময়

থকা একো একোজন মাথো নাৰৰীয়া। কিন্তু... পাৰ নোপোৱাকৈ কেৱল গৈ থকটোৱেই জানো যাত্ৰা? এই যাত্ৰাৰ জানো কিবা মূল্য আছে? জীৱনৰ ধামখুমীয়াত আমি প্ৰায়ে পাহৰি যাও নিজকে সময় দিবলৈ। নিজকে সময় দিয়াৰ অৰ্থ হ'ল ব্যক্তিগতভাৱে নিজকে লগ পোৱা, নিজৰ মনত গভীৰভাৱে ডুব যোৱা আৰু নিজকে পুনৰ আৱিষ্কাৰ কৰা।

হয়তো আমাৰ এই জীৱনক এখন ব্যস্ত বজাৰৰ সৈতে তুলনা কৰিলে কোনো ভুল নহ'ব। পুৱাৰে পৰা নিশালৈকে আমি কেৱল দৌৰো সুখ কিনিবলৈ, শান্তি কিনিবলৈ, অলপ আৰাম কিনিবলৈ। কিন্তু ইয়াৰ পাছতো জানো আমি বিচৰাবোৰ সঁচাকৈয়ে পাও। 'দাদা, একেবাৰে ফ্ৰেছ, আপোনাক বাছি বাছি দিছো, খাই ভাল পাব’ বুলি বেপাৰীজনে পলিথিনত ভৰাই দিয়া বিলাহী আধা কিলো অতি সন্তুষ্টি মনেৰে ঘৰলৈ অনাৰ পাছত যেতিয়া আপুনি দেখে যে সেই 'ভাল বুলি’ কোৱা বিলাহীৰ আধাখিনিয়েই গেলা, আপোনাৰ অনুভৱ কি হ'ব?

জীৱনটোতো আমি সেই বিলাহী কিনি অনাৰ দৰেই সুখ আৰু শান্তিবোৰ কিনিবলৈ চেষ্টা কৰা নাইনে? দুটকা বেছিকৈ পালে সুখী হব পাৰিম বুলি ভাৰি পুৱাৰ পৰা ৰাতিলৈকে গেবাৰী খটা কামটো অথবা অলপ শান্তি পাব বুলি কিস্তিত কিনা গাড়ীখনেৰে জানো সঁচাকৈয়ে লাভ কৰিছো সুখ-শান্তি? এনে কাৰণতে, মনৰ চুকবোৰত অলক্ষিতে জমা হৈ গৈ থকা ক্লান্তি, উদ্বিগ্নতা, অসন্তুষ্টিবোৰে এদিন বুকুত ওজন বঢ়াবলৈ আৰম্ভ কৰে। আমি পাহৰি যাওঁ যে আমাৰ মনটোও এখন বাৰী- যত্নৰ অভাৱত ফুল নফুলে, কেৱল কাঁইট গজিব! নিজকে সময় দিয়া মানে সেই বাৰীখনত পানী দিয়া, অপতৃণ কাটি, নতুন ফুলৰ পুলি ৰোপণ কৰা। নিজকে সময় দিয়াৰ প্ৰথম পদক্ষেপ হ'ল নিজকে বুজি পোৱা। আমি কি বিচাৰো? আমাৰ সপোন কি? আমি কিহৰ বাবে ভয় কৰো? এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰিলে আমি ৰৈ থকাটো প্ৰয়োজন। চাহ কাপৰ ধোঁৱাৰ লগতে নিজৰ চিন্তাৰ ধোঁৱা উৰি যাবলৈ দিব লাগিব। কেতিয়াবা নিৰ্জন পাৰ্ক এখনৰ বেঞ্চত বহি লহিয়াবলৈ ধৰা বেলিটোৰ লগে লগে লহিয়াবলৈ দিব লাগিব বুকুৰ অৱসাদৰ ছাঁ। কোনো পুৰণি বন্ধুলৈ লিখা এখন চিঠিৰ দৰেই কেতিয়াবা কাগজৰ পাতত লিখি ৰাখিব লাগিব নিজৰ চিন্তাবোৰ।

নিজকে সময় দিয়া মানে কেৱল নিজৰ দুখ বা কষ্টৰ সন্মুখীন হোৱাই নহয়, নিজৰ সুখৰ মুহূৰ্তবোৰো উদযাপন কৰা। আমি নিজৰ সৰু সৰু সফলতাবোৰক কিমান সঘনাই আওকাণ কৰো? কঠিন কাম এটা শেষ কৰাৰ পিছত, দিনটো ভাল লাগি যোৱাৰ পিছত আমি নিজকে অলপ প্ৰশংসা কৰোঁনে? নিজকে সময় দি আমি আমাৰ সাফল্যক আকোৱালি ল'বলৈ শিকো। নিজকে সময় দিলে শক্তি পোৱা যায়। জীৱনৰ ধুমুহাই যেতিয়া আমাক ভাঙিবলৈ চেষ্টা কৰে তেতিয়া নিজৰ লগত কটোৱা নিৰ্জন মুহূৰ্তবোৰ আমাৰ মনত জীপ পাই উঠে। যোগাভ্যাস, ধ্যান বা কেৱল প্ৰকৃতিত নিৰৱে খোজ কঢ়া- এইবোৰে আমাৰ মনৰ খিৰিকী মুকলি কৰে। সূৰ্যোদয়ৰ সোণালী কিৰণে যেনেকৈ পৃথিৱীক নতুন জীৱন দিয়ে, নিজৰ সৈতে কটোৱা সময়ে আমাৰ মনটোক নতুন আশাৰে ভৰাই তোলে।

আজিৰ ব্যস্ত জীৱনত নিজকে সময় দিয়াটো যেন এক বিলাসীতা। কিন্তু এয়া কোনো বিলাসীতা নহয়, আমাৰ প্ৰয়োজনীয়তা। চৰাইয়ে যেনেকৈ ডেউকা মেলি উৰণৰ আগতে থমকি ৰয়, তেনেকৈ জীৱনৰ উৰণত নতুন গতি লাভ কৰিবলৈ আমাকো এই বিৰতিৰ প্ৰয়োজন। নিজকে সময় দি আমি নিজকে ভাল পাবলৈ শিকো, আমাৰ সপোনবোৰ পুনৰ আৱিষ্কাৰ কৰোঁ আৰু জীৱনৰ প্ৰতিটো মুহূৰ্তক অধিক অৰ্থপূৰ্ণ কৰি তোলোঁ। গতিকে আজিয়েই কিছু সময় ৰৈ দিও আহক, নিজৰ বাবে কিছু সময় উলিয়াও লও... কাৰণ নিজকে সময় দিয়াৰ অৰ্থ হ'ল জীৱনৰ প্ৰকৃত সৌন্দৰ্য্যৰ উপহাৰ নিজকে দিয়া।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফাৰ কমাণ্ডাৰ ৰূপম অসমক গ্ৰেপ্তাৰ

টিংকুপানী বনাঞ্চলত অভিযান চলাই শুকুৰবাৰৰ পুৱতি নিশা নিষিদ্ধ আলফা (স্বাধীন) ৰ এগৰাকী শীৰ্ষ নেতা তথা অপাৰেচন কমাণ্ডাৰ ৰূপম অসমক গ্ৰেপ্তাৰ কৰিছে তিনিচুকীয়া আৰক্ষীয়ে। দুৰ্ধৰ্ষ আলফা কেডাৰজনৰ পৰা আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ উদ্ধাৰ কৰা হৈছে বুলিও সূত্ৰৰ পৰা জানিব পৰা গৈছে। কোৱা হৈছে যে আলফা (স্বাধীন) ৰ অপাৰেচন কমাণ্ডাৰ ৰূপম অসমে অসম-অৰুণাচল সীমান্তত আত্মগোপন কৰি ধন দাবীৰ কাৰ্যকলাপ চলাই আহিছিল। উল্লেখ্য যে ২০১৮ চনত তিনিচুকীয়া জিলাৰ বৰডুমচা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ কলিতাৰ হত্যাকাণ্ডৰ গোচৰত এন আই এৰ অভিযোগনামা (চাৰ্জশ্বীট) ত নাম মোষ্ট ৱাণ্টেডৰূপে নাম সন্নিৱিষ্ট হৈছিল এইজন দুৰ্ধৰ্ষ আলফা কেডাৰ ৰূপম অসমৰ। এইজন দুৰ্ধৰ্ষ আলফাৰ কেডাৰৰ বিৰুদ্ধে নিষিদ্ধ সংগঠনটোৰ ধন দাবীৰ কাম-কাজ চলোৱাৰ লগতে কেইবাটাও অপহৰণৰ ঘটনাৰ সৈতেও জড়িত থকাৰ অভিযোগ আছে। এইক্ষেত্ৰত আৰক্ষীৰ এজন বিষয়াই কয়, "পূব অসমৰ ধন দাবী কাৰ্যৰ মূল ব্যক্তি ৰূপম অসম। আমাৰ হাতত তথ্য আছিল যে তেওঁ আৰু তেওঁৰ দলটোৱে অসম-অৰুণাচল সীমান্তৰ সমীপৰ এখন জংঘলত আত্মগোপন কৰি আছিল। সেই অনুসৰি শুকুৰবাৰে নিশা অভিযান আৰম্ভ কৰা হয় আৰু তেওঁক গ্ৰেপ্তাৰ কৰা হয়।" নিষিদ্ধ আলফা (স্বাধীন) ৰ এই গোটৰ আন সদস্যসকলক বিচাৰি উলিয়াবলৈ আৰু গ্ৰেপ্তাৰ কৰিবলৈ সীমান্তৱৰ্তী অঞ্চলসমূহত আৰক্ষীয়ে অধিক সক্ৰিয়ভাৱে অভিযান আৰম্ভ কৰিছে বুলিও তেওঁ লগতে কয়। ৰূপম অসমৰ গ্ৰেপ্তাৰ সন্দৰ্ভত তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিত দিলীপে এনেদৰে কয়, "বিগত ৪-৫ মাহে অসম-অৰুণাচল সীমান্তত ৰূপম অসমৰ নেতৃত্বত এটা দলে শিবিৰ পাতি তিনিচুকীয়া আৰু নামচাইত বহুকেইটা ধনদাবী কৰাৰ খবৰ আছিল। সেই খবৰৰ ভিত্তিতেই তিনিচুকীয়া আৰক্ষীয়ে আছাম ৰাইফলছৰসহযোগত অভিযান অব্যাহত ৰাখিছিল। সেই অভিযানৰ সময়তে আজি পুৱতি নিশা অসম-অৰুণাচল সীমান্তৰ বনাঞ্চলত তিনিচুকীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় ৰূপম অসমক। আলফা (স্বাধীন) ৰ বহু সামৰিক অভিযানৰ নেতৃত্ব দিছিল ৰূপম অসমে। ৰূপম অসমৰ পৰা আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰৰ লগতে ভালেসংখ্যক আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিছে। সীমান্তৰ বনাঞ্চলত ৰূপম অসমৰ সহযোগী কেডাৰসকলৰ সন্ধানত অভিযান চলাই থকা হৈছে।" প্ৰাপ্ত খবৰ অনুসৰি, গ্ৰেপ্তাৰ হোৱা দুৰ্ধৰ্ষ আলফা কেডাৰ ৰূপম অসমক তিনিচুকীয়া সদৰ থানাত মাৰাথন জেৰা অব্যাহত ৰাখিছে তিনিচুকীয়া আৰক্ষীয়ে। তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক অ ভিজিৎ গৌৰৱ দিলীপৰ লগতে কেইবাগৰাকীও শীৰ্ষ আৰক্ষী বিষয়াই চলাইছে মাৰাথন জেৰা। আৰক্ষীৰ জেৰাত বহু বিস্ফোৰক তথ্য লাভ কৰাৰ সম্ভাৱনা আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বাহক লৈ মন্তব্য! বিপদত ৰাহুল গান্ধী

মন্তব্যৰ বাবে পুনৰ এবাৰ আইনী সমস্যাৰ সন্মুখীন হৈছে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী। ২০১৮ চনত কৰা এক বিতৰ্কিত মন্তব্যৰ বাবে লোকসভাৰ বিৰোধী দলপতিগৰাকীৰ বিৰুদ্ধে জামিনবিহীন পৰোৱানা জাৰি কৰিছে ঝাৰখণ্ডৰ চৈবাছা এমপি-এমএলএ বিশেষ আদালতে। আদালতৰ নিৰ্দেশ অনুসৰি ২৬ জুনত তেওঁ ব্যক্তিগতভাৱে আদালতত হাজিৰ হ'ব লাগিব। উল্লেখ্য যে ২০১৮ চনত এক প্ৰচাৰ সভাত গান্ধীয়ে কৈছিল, "এজন হত্যাকাৰী কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি হ'ব নোৱাৰে, কংগ্ৰেছত সেয়া সম্ভৱ নহয়, কেৱল বিজেপিতে সম্ভৱ।" বিজেপি নেতা প্ৰতাপ কাটিয়াৰে এই মন্তব্যক অমিত শ্বাহৰ বিৰুদ্ধে অপমানজনক বুলি গণ্য কৰি ২০১৮ চনৰ ৯ জুলাইত মানহানিৰ গোচৰ তৰে। ২০২২ চনৰ এপ্ৰিল মাহত চৈবাছা আদালতে ৰাহুল গান্ধীৰ বিৰুদ্ধে জামিনযোগ্য ৱাৰেণ্ট জাৰি কৰিছিল যদিও তেওঁ কোনো সঁহাৰি নিদিয়াৰ বাবে আদালতে ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত ইয়াক নন-বেইলেবল ৱাৰেণ্টলৈ ৰূপান্তৰিত কৰিছিল। তাৰ পিছত গান্ধীৰ অধিবক্তাই ব্যক্তিগত হাজিৰ হোৱাৰ পৰা ৰেহাইৰ বাবে আবেদন কৰিছিল যদিও আদালতে সেই ৱাৰেণ্ট নাকচ কৰে। ইয়াৰ পিছতে কংগ্ৰেছ নেতাজনে ঝাৰখণ্ড উচ্চ ন্যায়ালয়ৰ কাষ চাপি অন্তৰ্বৰ্তীকালীন স্থগিতাদেশৰ আদেশ লাভ কৰে। কিন্তু ২০২৪ চনৰ মাৰ্চ মাহত উচ্চ ন্যায়ালয়ে আবেদন নিষ্পত্তি কৰাৰ লগে লগে নিম্ন আদালতত শুনানি পুনৰ আৰম্ভ হয়। শুনানিৰ সময়ত ৰাহুলে পুনৰ হাজিৰ হোৱাৰ পৰা ৰেহাই দিবলৈ অনুৰোধ জনায় যদিও আদালতে দ্বিতীয়বাৰৰ বাবে নাকচ কৰে। আদালতৰ কঠোৰ স্থিতিৰ পিছত ২৬ জুনত ৰাহুল গান্ধীৰ চৈবাছা আদালতত হাজিৰ হোৱাটো এতিয়া বাধ্যতামূলক হৈ পৰিছে। ইফালে উত্তৰ প্ৰদেশৰ চুলতানপুৰ আদালততো আন এক অনুৰূপ মানহানিৰ গোচৰ চলি আছে, যাৰ শুনানি ১৭ মে'ত হ'বলগীয়া আছিল যদিও অধিবক্তাৰ কৰ্মশালাৰ বাবে স্থগিত ৰখা হয়। সেই গোচৰটোও অমিত শ্বাহক লৈ কৰা মন্তব্যক লৈ দাখিল কৰা হৈছিল। ৰাজনৈতিক মহলৰ মতে ৰাহুল গান্ধীৰ আইনী জটিলতাক লৈ কংগ্ৰেছৰ অস্বস্তি বাঢ়িছে। ইতিমধ্যে বিজেপি শিবিৰে ৰাহুলৰ এই বক্তব্যক গৰিহণা দি কয় যে ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সাংবিধানিক পদত অধিষ্ঠিত ব্যক্তিক লক্ষ্য কৰি এনেধৰণৰ মন্তব্য কেৱল ৰাজনৈতিক শিষ্টাচাৰ উলংঘা কৰাই নহয়, আইনৰ অধীনতো গুৰুতৰ অপৰাধ। আদালতৰ নিৰ্দেশ অনুসৰি ৰাহুল গান্ধী হাজিৰ হ'ব নে আইনী যুঁজ পুনৰ আৰম্ভ হ'ব লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সীমান্তত পাক নাগৰিক নিহত

কৰিবলৈ চেষ্টা চলোৱা এজন পাকিস্তানী অনুপ্ৰৱেশকাৰীক গুলীয়াই হত্যা কৰে সীমান্ত সুৰক্ষা বাহিনীয়ে। ভাৰত-পাকিস্তানৰ মাজত সীমান্তত অব্যাহত থকা উত্তেজনাৰ মাজতে গুজৰাটৰ দুই ৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বৃহস্পতিবাৰে বিএছএফৰ গুলীত প্ৰাণ হেৰুৱায় পাক নাগৰিকজনে। বিএছএফৰ সূত্ৰৰ পৰা জানিব পৰা মতে, নিশাৰ ভাগত এজন সন্দেহজনক পাকিস্তানী নাগৰিকে সীমান্ত অতিক্ৰম কৰিবলৈ চেষ্টা চলায়। আন্তৰ্জাতিক সীমান্ত পাৰ হৈ তেওঁ লাহে লাহে ভাৰতৰ কাঁটা তাঁৰৰ বেৰৰ ফালে আগবাঢ়ি আহে। লোকজনক দেখি বিএছএফৰ জোৱানৰ পৰা বাৰে বাৰে সতৰ্কবাণী দিয়াৰ পিছতো অনুপ্ৰৱেশকাৰীজনে কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাত অৱশেষত সীমান্তৰক্ষী বাহিনীয়ে গুলীচালনা কৰিবলৈ বাধ্য হৈ পৰে। বিএছএফৰ এজন মুখপাত্ৰই কয়, "দেশৰ সীমান্তৰ নিৰাপত্তা আমাৰ অগ্ৰাধিকাৰ। কোনো ধৰণৰ অনুপ্ৰৱেশৰ প্ৰতি কোনো সহনশীলতা নাই। সজাগ জোৱানসকলে সফলতাৰে দেশৰ নিৰাপত্তা বজাই ৰাখিছে।" ঘটনাৰ পিছত সমগ্ৰ সীমান্ত অঞ্চলত নিৰাপত্তা আৰু অধিক শক্তিশালী কৰা হৈছে। অনুপ্ৰৱেশকাৰী কোন আৰু তেওঁৰ কোনো সন্ত্ৰাসবাদী সংগঠনৰ সৈতে কোনো সম্পৰ্ক আছিল নেকি তদন্তকাৰী সংস্থাই ইয়াৰ তদন্ত চলাই আছে। সমগ্ৰ ঘটনা সন্দৰ্ভত উচ্চতম পৰ্যায়লৈ প্ৰেৰণ কৰা হৈছে এক প্ৰতিবেদন। একে সময়তে সীমান্তত যিকোনো সন্দেহজনক গতিবিধি অনতিপলমে কৰ্তৃপক্ষক অৱগত কৰিবলৈ স্থানীয় বাসিন্দাসকলক আহ্বান জনাইছে বিষয়াই। যিহেতু দেশৰ আভ্যন্তৰীণ নিৰাপত্তা কেৱল শক্তিৰ ওপৰত নিৰ্ভৰশীল নহয়, সাধাৰণ নাগৰিকৰ সচেতন ভূমিকাও অতি গুৰুত্বপূৰ্ণ। উল্লেখ্য যে সীমান্তত পাকিস্তানৰ প্ৰৰোচনা নতুন কথা নহয়। কিন্তু বৃহস্পতিবাৰে নিশা বন্দুকৰ গুলীৰ শব্দই পুনৰ প্ৰমাণ কৰিলে যে ২২ এপ্ৰিলত পেহেলগাম আক্ৰমণৰ পিছত ভাৰতে কোনো নম্ৰতা প্ৰদৰ্শন কৰিবলৈ ইচ্ছুক নহয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# '৪৭ৰ ভিতৰত উন্নত ভাৰত গঢ়াৰ লক্ষ্য

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। শুকুৰবাৰে প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত নতুন দিল্লীত অনুষ্ঠিত নিটি আয়োগৰ দশম গৱৰ্নিং কাউন্সিলৰ বৈঠকত সমগ্ৰ দেশৰ দীৰ্ঘম্যাদী, সৰ্বাংগীণ উন্নয়নৰ ৰোডমেপ সন্দৰ্ভত এক ব্যাপক আলোচনা অনুষ্ঠিত হয়।এই গুৰুত্বপূৰ্ণ বৈঠকত কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰী, বিভিন্ন কেন্দ্ৰীয়শাসিত অঞ্চলৰ উপ-ৰাজ্যপাল আৰু প্ৰশাসকসকল উপস্থিত থাকে। আলোচনাৰ মূল বিষয় আছিল উদ্ভাৱন, বহনক্ষম উন্নয়ন আৰু নগৰায়ন।

মোদীয়ে কয় যে যদি প্ৰতিখন ৰাজ্য, চহৰ আৰু গাঁৱে নিজস্ব ৰূপান্তৰৰ বাবে চেষ্টা কৰে, তেন্তে ৰাষ্ট্ৰীয় উন্নয়ন অধিক গতিশীল হ'ব। তেওঁ বিশেষকৈ পৰ্যটনৰ ক্ষেত্ৰত বিশ্বমানৰ গন্তব্যস্থান গঢ়ি তোলা, কৰ্মশক্তিত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰা আৰু ভৱিষ্যতৰ প্ৰমাণযোগ্য চহৰ সৃষ্টি কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁৰ ভাষাত, "ৰাজ্যসমূহে যদি নিজৰ সম্ভাৱনাক উদ্ভাৱনীমূলকভাৱে ব্যৱহাৰ কৰে, তেন্তে 'উন্নত ভাৰত' কেৱল সপোন নহয়, ই বাস্তৱত পৰিণত হোৱাটো নিশ্চিত।"

একে সময়তে সাধাৰণ মানুহৰ জীৱনত দৃশ্যমান পৰিৱৰ্তন আনিব পৰা নীতি ৰূপায়ণৰ ৰূপৰেখা সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰীয়ে ৰাজ্যসমূহক দীৰ্ঘম্যাদীভাৱে সৰ্বাংগীণ আৰু বহনক্ষম উন্নয়নৰ পৰিকল্পনা প্ৰণয়ন কৰিবলৈ আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ সদস্য নোহোৱাৰ বাবে

অন্য দলক সমৰ্থন কৰা লোকে লাভ নকৰে চৰকাৰী আঁচনি আৰু অন্যান্য সা-সুবিধা। আনকি নিৰ্বাচনী সভাত বিজেপিৰ নেতা-পালিনেতাই বিজেপিক ভোট নিদিলে অৰুণোদয়, বৃদ্ধ পেঞ্চন আদি আঁচনিৰ পৰা নাম কৰ্তন কৰি দিয়া হ'ব বুলিও মুকলিকৈ ধমক দিয়ে। এনেবোৰ অভিযোগ বিভিন্ন সময়ত ৰাইজে বা বিৰোধী নেতাসকলে উত্থাপন কৰি আহিছে। এইবাৰ বিজেপি চৰকাৰৰ বিষয়ে এনে অভিযোগ উত্থাপন কৰিছে নাজিৰাৰ এগৰাকী মহিলাই। মনীষা বৰুৱা নামৰ এগৰাকী দৰিদ্ৰ মহিলাই ইতিমধ্যে এই বিষয়টো অৱগত কৰি জিলা আয়ুক্তলৈ পত্ৰ লিখিছে। মনীষা বৰুৱাই অভিযোগ কৰি জিলা আয়ুক্তলৈ লিখা পত্ৰখনত উল্লেখ কৰিছে, " মোৰ নাম কৰ্তন কৰিলেও ৰাজ্য চৰকাৰৰ নিয়মাৱলী ভংগ কৰি ঘৰত বাছ-ট্ৰাক থকা অথবা নিজৰ নামত ইনকাম টেক্সৰ ফাইল থকা মহিলাকো এই আঁচনিৰ বাবে বাছনি কৰিছে। আশাকৰো আপুনি মোৰ এই অভিযোগ গুৰুত্বসহকাৰে ল'ব আৰু প্ৰয়োজনীয় তদন্ত সাপেক্ষে মোক মহিলা উদ্যমী হোৱাৰ সুযোগ দিব।" মহিলাগৰাকীৰ অভিযোগ অনুসৰি, তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত লাখপতি বাইদেউ আঁচনিৰ বাবে যথাসময়ত আবেদন কৰে। সেই সময়ছোৱাত মহিলা আত্মসহায় গোটৰ সদস্য হিচাপে সকলো চৰকাৰী কাৰ্সূচীত অংশ গ্ৰহণ কৰাৰ উপৰি গোটৰ প্ৰতিখন সভাতে নিয়মীয়াকৈ উপস্থিত থাকে মহিলাগৰাকী। মহিলাগৰাকীৰ আবেদন অনুসৰি মহিলাগৰাকীৰ নাম এই আঁচনিৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয় আৰু তিনিটা স্তৰত হোৱা পৰীক্ষণৰ সময়ত ব্লক পৰ্য্যালৈকে বিভাগীয়ভাৱে অনুমোদন জনোৱা হয়। কিন্তু ইয়াৰ পৰৱৰ্তী সময়ত মনীষা বৰুৱা নামৰ দৰিদ্ৰ মহিলাগৰাকীয়ে জানিব পাৰে যে তেওঁৰ নামটো ব্লক পৰ্যায়ৰ স্ক্ৰুটিনি কমিটিয়ে কোনো ধৰণৰ যাৱতীয় পৰীক্ষণ নকৰাকৈ কৰ্তন কৰি দিছে। কেৱল মনীষা বৰুৱাই নহয়, বিজেপি দলৰ কৰ্মী নোহোৱাৰ বাবে অথবা আন দলৰ সমৰ্থক হ'লে চৰকাৰী আঁচনিৰ পৰা নাম কাটি দিয়াৰ বহুতো তথ্য শেহতীয়াকৈ পোহৰলৈ আহিছে। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বেও বিজেপিক ভোট নিদিলে আঁচনিৰ পৰা নাম কাটি দিয়া বুলি বিৰোধী সমৰ্থন কৰা দৰিদ্ৰ লোকসকলক ব্লক কৰা বুলি একাংশ বিজেপিৰ নেতা-পালিনেতাৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছে। কেৱল এয়াই নহয় অসমৰ বিভিন্ন ঠাইত দৰিদ্ৰ লোকসকলৰ সলনি আৰ্থিকভাৱে স্বচ্ছল লোকসকলে চৰকাৰী ঘৰ, লাখপতি বাইদেউ, অৰুণোদয় আদি আঁচনি লাভ কৰাৰো অভিযোগ উত্থাপন হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশীৰ চৰণীয়া পথাৰত পৰিণত

তীব্ৰ অভিযানত জিলাখনৰ বিভিন্ন স্থানৰ পৰা নজনাকৈ বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰে। মৰিগাঁৱৰ বিদেশী ন্যায়াধিকৰণে ইতিমধ্যে বাংলাদেশী নাগৰিক ঘোষণা কৰা এই লোককেইজন দীৰ্ঘদিন ধৰি পলাতক হৈ আছিল। আজি মৰিগাঁৱৰ সীমান্ত শাখাৰ আৰক্ষীয়ে এক গোপন অভিযান চলাই মৰিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত উচমান আলী, জয়নাল আবেদিন, মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত আব্দুল খাই, খাইৰুল ইছলাম, জাগীৰোড আৰক্ষী থানাৰ অন্তৰ্গত উফা আলী, ধৰমতুল আৰক্ষী থানাৰ অন্তৰ্গত হাফিজুদ্দিন, আব্দুল লতিফ, মায়ং আৰক্ষী থানাৰ অন্তৰ্গত নূৰ ইছলাম, লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত গুলজাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে মৰিগাঁৱৰ বিদেশী ন্যায়াধিকৰণত বাংলাদেশী নাগৰিক সাব্যস্ত হোৱা এই লোককেইজনৰ ভিতৰৰে দুজনমানে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল যদিও উচ্চ ন্যায়ালয়ে বিদেশী ন্যায়াধিকৰণৰ ৰায়টোকে বাহাল ৰাখিছিল। ধৃত বাংলাদেশী লোক কেইজনক আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে। উজনি অসমৰ শিৱসাগৰ জিলাতো বাংলাদেশীৰ বিৰুদ্ধে অভিযান চলে। এই অভিযানত মহিলাসহ ৩ সন্দেহযুক্ত বাংলাদেশীক আৰক্ষীয়ে নিজৰ জিম্মাত লয়। শিৱসাগৰত ঘৰ ভাৰা লৈ বসবাস কৰি থকা এই ৩ জন লোক হৈছে ৰেহেনা খাতুন, আলিফ আলী আৰু ফাতেমা বেগম। আৰক্ষীয়ে তিনিওজনকে জিম্মাত লৈ তদন্ত আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধূপধৰাত বিকল চলন্ত ৰে'লৰ ইঞ্জিন

কন্যাকুমাৰী-ডিব্ৰুগড় ছুপাৰফাষ্ট ২২৫০৩ নম্বৰৰ বিবেক এক্সপ্ৰেছ ৰে'লগাড়ীখন আজি পুৰা এক ভয়ংকৰ বিপদৰ পৰা ৰক্ষা পৰে। কন্যাকুমাৰীৰ পৰা ডিব্ৰুগড় অভিমুখী ৰে'লখনৰ ইঞ্জিন চলন্ত অৱস্থাতে আজি গোৱালপাৰা জিলাৰ ধূপধৰাৰ ৰে'লপথত বিকল হৈ পৰে। পুৱা সাত মান বজাত এই ঘটনা সংঘটিত হয় কামাখ্যা যোগীঘোপা ৰে'লপথৰ ৰংজুলি ৰে'ল ষ্টেচন তথা ধূপধৰাৰ গাঠিয়াপাৰা অঞ্চলৰ ৰে'লপথত। ৰে'লখনৰ ইঞ্জিন চলন্ত অৱস্থাত বন্ধ হৈ যোৱাৰ লগে লগে ৰে'লখনৰ যাত্ৰীসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে প্ৰায় ডেৰ ঘণ্টা মানৰ পিছত অন্য এখন ৰে'লৰ ইঞ্জিনৰ সহায়ত ৰে'লখন ৰংজুলি ৰে'ল ষ্টেচনলৈ লৈ যোৱা হয়। ইফালে এই ৰে'লখনৰ বাবে গুৱাহাটী দিশৰ পৰা অন্য এটা ইঞ্জিন মোতায়েন কৰা হয় ৰংজুলি ষ্টেচনলৈ । পৰৱৰ্তী সময়ত উক্ত ইঞ্জিন সংযোগ কৰি ৰে'লখন গন্তব্যস্থানলৈ ৰাওনা হয়। উল্লেখযোগ্য যে ভাৰতৰ ভিতৰতে দূৰত্ব হিচাপত কন্যাকুমাৰী-ডিব্ৰুগড় বিবেক এক্সপ্ৰেছ ৰে'লগাড়ীখনে ৪২৭৩ কিলোমিটাৰ দৈৰ্ঘ্যৰে দেশৰ ভিতৰতে আটাইতকৈ ভাৰ দীঘলীয়া যাত্ৰা কৰে বুলি জানিব পৰা গৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# গেলেকীৰ জৰাজীৰ্ণ পথ নিৰ্মাণৰ বাবে এসপ্তাহৰ সময়সীমা যুৱ-ছাত্ৰ পৰিষদৰ

**ই-সংবাদ, গেলেকী, ২৪ মে':** নাজিৰা সমজিলাৰ অন্তৰ্গত গেলেকী চাৰি আলিৰপৰা ন-পাম বাৰুৱতী সংযোগী পথছোৱা বছৰ বছৰ ধৰি জৰাজীৰ্ণ হৈ আছে। বাৰিষাৰ সময়ছোৱাত পথছোৱাৰে খোজকাঢ়ি বা দুচকীয়া বাহন লৈ যাতায়াত কৰাটো অসম্ভৱপৰ হৈ পৰে। কিছু কিছু ঠাইত পথৰ মাজতে সৃষ্টি হৈছে প্ৰকাণ্ড গাঁত। পথছোৱাৰে গেলেকীৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, গেলেকী পশু চিকিৎসালয়, গেলেকী হাই স্কুল, গেলেকী বদ্ৰীদাস মুদি বালিকা উচ্চ-মাধ্যমিক বিদ্যালয়, গেলেকী আৰক্ষী থানা, ন-পাম বাৰুৱতী গাঁও পঞ্চায়তৰ কাৰ্যালয়, কেইবাখনো প্ৰাথমিক বিদ্যালয়ৰ, দুটাকৈ ব্যক্তিগত চাহ ফেক্টৰী, মহাৰত্ন কোম্পানী অ'এনজিচিৰ খনন আৰু উৎপাদন ৰিগৰ লগতে অ'এনজিচিৰ স্থায়ী কেইবাটাও বৃহৎ প্ৰকল্পৰ কৰ্মচাৰীৰ লগতে বাহন অহা-যোৱা কৰে। বিগত সময়ছোৱাত কেইবাটাও দল-সংগঠনে এই পথছোৱা নিৰ্মাণৰ বাবে দাবী জনাই আহিছে যদিও গা লৰা নাই বিভাগৰ লগতে অ'এনজিচি কৰ্তৃপক্ষৰ। দৈনিক অ'এনজিচিৰ গধুৰ বাহন চলাচলে পথছোৱা অধিক বিধ্বস্ত কৰি তুলিছে। বিগত বৰ্ষত সদৌ অসম ছাত্ৰ সন্থাৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে এই পথছোৱা নিৰ্মাণৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী হাতত লৈছিল। পৰৱৰ্তী সময়ত পথছোৱাৰে অ'এনজিচিৰ বাহন চলাচল বন্ধ কৰাৰ দাবীত স্মাৰক পত্ৰ প্ৰদান কৰা হৈছিল নাজিৰাৰ মহকুমা প্ৰশাসনক। স্মাৰক পত্ৰ লাভ কৰি প্ৰশাসনে দুয়োটা জাতীয় সংগঠনৰ প্ৰতিনিধি, লোক নিৰ্মাণ বিভাগৰ বিষয়ববীয়া আৰু তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিষয়ববীয়াৰ সৈতে এক ত্ৰি-পাক্ষিক আলোচনাৰ ব্যৱস্থা কৰি দিছিল। বিগত বৰ্ষৰ মে' মাহত অনুষ্ঠিত সেই আলোচনাতে দণ্ডাধীশৰ সন্মুখত মহাৰত্ন কোম্পানী অ'এনজিচিৰ উচ্চ পদস্থ বিষয়া, লোক নিৰ্মাণ বিভাগৰ বিষয়াই সংগঠন দুটাৰ প্ৰতিনিধিৰ আগত চাৰি মাহৰ ভিতৰত পথছোৱা নিৰ্মাণ কৰাৰ কথা দিছিল। কিন্তু আজি বছৰ দিন পাৰ হৈ যোৱাৰ পিছতো প্ৰতিশ্ৰুতি কেৱল প্ৰতিশ্ৰুতিতে সীমাবদ্ধ হৈ ৰ'ল। মাত্ৰ সামান্য মেৰামতি কৰি কাম সামৰিলে মহাৰত্ন কোম্পানীটোৱে। যাৰ বাবে পুনৰ এতিয়া এজাক বৰষুণতে পথছোৱা পুনৰ যাতায়াতৰ বাবে অনুপযোগী হৈ পৰিছে। বিদ্যালয়লৈ অহা কণ কণ ছাত্ৰ-ছাত্ৰীৰ লগতে চিকিৎসালয়লৈ অহা ৰোগী আৰু সাধাৰণ পথচাৰীয়ে বৰ্তমান জীয়াতু ভুগিব লগীয়া হৈছে। এই বিষয়টোক লৈ এতিয়া পুনৰ সৰৱ হৈ পৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ গেলেকী আঞ্চলিক সমিতি। যোৱা ২২ মে'ত পুনৰ এই বিষয়টিৰ বাবে নাজিৰাৰ সমজিলাৰ আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰিছে সংগঠনটোৱে। স্মাৰক পত্ৰৰ যোগেদি এক সপ্তাহৰ ভিতৰত পথছোৱা নিৰ্মাণৰ বাবে বিভাগীয় কৰ্তৃপক্ষক সময় সীমা বান্ধি দিছে সংগঠনটোৱে। এসপ্তাহৰ ভিতৰত বিভাগীয় কৰ্তৃপক্ষই বা অ'এনজিচিয়ে পথছোৱা মেৰামতিৰ ব্যৱস্থা গ্ৰহণ নকৰিলে অহা ২ জুনৰ পৰা পথছোৱাৰে অ'এনজিচিৰ সকলো ধৰণৰ বাহনৰ চলাচল বন্ধ কৰি দিয়াৰ হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে।

# হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক-অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সন্মিলন

**ই-সংবাদ, হাওৰাঘাট, ২৪ মে':** বিদ্যালয় এখন সৰ্বাংগ সুন্দৰ কৰিবলৈ হ'লে আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ অংশটোৱে হ'ল অভিভাৱক। অভিভাৱকসকল সজাগ নোহোৱালৈকে বিদ্যালয় এখনক শৈক্ষিক দিশত কেতিয়াও আগবঢ়াই লৈ যাব নোৱাৰি। কথাষাৰ শুনিবলৈ অপ্ৰিয় যদিও চিৰ-সত্য।- এই মন্তব্য অধ্যক্ষ দেবেন্দ্ৰ শৰ্মাৰ। কাৰ্বি আংলং জিলাৰ ১৯৫৭ চনতেই স্থাপিত হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শুকুৰবাৰে দিনৰ ১২.০০ বজাত অধ্যক্ষ দেবেন্দ্ৰ শৰ্মাৰ সভাপতিত্বত এখনি শিক্ষক-অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত ভাষণ দি এইদৰে মন্তব্য কৰে শৰ্মাই। দ্বিতীয় বাৰ্ষিকৰ ক'লা, বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃৰ উপস্থিতিত অনুষ্ঠিত উক্ত সন্মিলনত বহু কেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত অভিভাৱকসকলৰ দু-আষাৰ, শিক্ষাৰ্থীৰ ভৱিষ্যত কৰ্ম পন্থা, শিক্ষাৰ্থীসকলৰ গুণগত শিক্ষাৰ বিস্তাৰ, শৈক্ষিক অগ্ৰগতি, আচৰণ আদি বিস্তৃতভাৱে আলোকপাত কৰা হয়। আগন্তুক দিনত প্ৰতিগৰাকী অভিভাৱকে নিজৰ সন্তানক বা ছাত্ৰ-ছাত্ৰীসকলৰ যত্ন লোৱা বা অনুশাসনৰ মাজেৰে আগুৱাই নিয়াৰ বাবে আহ্বান জনায় অধ্যক্ষ দেবেন্দ্ৰ শৰ্মাই। ইফালে, মঞ্চত উপবিষ্ট বিদ্যালয়ৰ প্ৰতিগৰাকী জ্যেষ্ঠ-কনিষ্ঠ বিষয় শিক্ষকে নিজৰ নিজৰ বক্তব্যৰে সু-পৰামৰ্শ আগবঢ়ায় শিক্ষাৰ্থীসকলক। আনহাতে, এই সন্মিলনৰ যোগেদি প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে নিয়াৰিকৈ শ্ৰেণীত পাঠদান কৰা, ম'বাইল ফোনৰ পৰা বিৰত থকা, নিচাজাতীয় দ্ৰব্য সেৱনৰ পৰা আঁতৰত থকা আৰু নিজ নিজ অভিভাৱকে নিজৰ সন্তানৰ প্ৰতি চোকা দৃষ্টি ৰাখি আগুৱাই নিয়াত সহায় কৰা আদিৰ বিষয়ে অধিক গুৰুত্ব প্ৰদান কৰা হয়। একেদৰে এগৰাকী অভিভাৱকে বিদ্যালয়খনত প্ৰতিটো ক্লাছ সময় মতে কৰি যোৱাৰ বাবে শিক্ষক বৃন্দক ধন্যবাদ জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ, অভিভাৱকৰ লগতে বিদ্যালয়খনৰ জ্যেষ্ঠ বিষয় শিক্ষক ভূপেন্দ্ৰ শৰ্মা, ৰমা শংকৰ গুপ্তা, হোমেশ্বৰ কলিতা, কৃষ্ণ সাহা, মকবুল হুছেইন মজুমদাৰ, শিক্ষয়িত্ৰী বিউটি দেৱী, শিক্ষক এ কে তামুলী, মমিনুল ইছলাম খান, তীৰ্থ গগৈৰ লগতে বিদ্যাঞ্জলি শিক্ষক ক্ৰমে খৰ্গেশ্বৰ দাস, আকাশ বৰদলৈ আৰু কম্পিউটাৰ সহায়ক ৰবিনছন ইংতি উপস্থিত থাকে। শেষত অধ্যক্ষ দেবেন্দ্ৰ শৰ্মাই সভাপতিৰ ভাষণত শিক্ষক-কৰ্মচাৰী বৃন্দৰ লগতে উপস্থিত অভিভাৱক/অভিভাৱিকা আৰু শিক্ষাৰ্থীসকলক ধন্যবাদ কৰে।

# গৰুখুঁটি প্ৰকল্পত পুনৰ উচ্ছেদ অভিযান

**ই-সংবাদ, ছিপাঝাৰ, ২৪ মে':** দৰং জিলাৰ ছিপাঝাৰৰ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ অধীনৰ ভূমিত থকা অবৈধ বেদখলকাৰীক স্থানান্তৰিত কৰাৰ প্ৰক্ৰিয়া আজিৰে পৰা পুণৰ আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াত প্ৰশাসনৰ দ্বাৰা আঢ়ৈশটা পৰিয়ালক দৰঙৰ দলগাৱঁলৈ স্থানান্তৰিত কৰা হ'ব। সেই অনুসৰি আজি বিশটাকৈ তেনে পৰিয়ালক কৃষি প্ৰকল্পটোৰ ভূমিৰ পৰা উচ্ছেদ কৰি দলগাঁৱত সংস্থাপনৰ ব্যৱস্থা কৰা হয়। দৰং জিলা প্ৰশাসনৰ সূত্ৰ অনুসৰি এই স্থানান্তৰ প্ৰক্ৰিয়া অব্যাহত থাকিব। লক্ষণীয় যে, প্ৰথম পৰ্যায়ত গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ ভূমিৰ পৰা ৮৪২টা পৰিয়ালক প্ৰশাসনে উচ্ছেদ কৰি দলগাওঁত সংস্থাপিত কৰিছিল যদিও প্ৰায় আঢ়ৈশটা পৰিয়ালে কৃষি প্ৰকল্পটোৰ ভূমিতেই অবৈধভাৱে বাস কৰি আছিল। এনে পৰিপ্ৰেক্ষিতত গৰুখুঁটি প্ৰকল্পত প্ৰশাসনে আজি পুনৰ আৰম্ভ কৰিছে উচ্ছেদ অভিযান। অৱশ্যে তেনে পৰিয়ালসমূহে জিলা প্ৰশাসনক সহযোগিতা আগবঢ়াই নিজেই ঘৰ-দুৱাৰ স্থানান্তৰকৰণ প্ৰক্ৰিয়াত আগভাগ লৈছে। উল্লেখ্য যে, এই আঢ়ৈশটা পৰিয়ালক স্থানান্তৰিত কৰাৰ পাছতে মুকলি হোৱা কৃষি প্ৰকল্পটোৰ ভূমিত কৰ্তৃপক্ষই অচিৰেই কৃষি কাৰ্যও আৰম্ভ কৰিব।

আৰক্ষীয়ে আটক কৰা শিক্ষকক মুক্তিৰ দাবীত ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী বৰ্জন, দিনজোৰা প্ৰতিবাদ

# ছাত্ৰক প্ৰহাৰক লৈ মাজুলীৰ খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ বিশেষ, মাজুলী, ২৪ মে':** মাজুলী শিক্ষাখণ্ডৰ অন্তৰ্গত নামনি মাজুলীৰ খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদ আজি বিদ্যালয়খনৰ শ শ ছাত্ৰ-ছাত্ৰীয়ে উত্তাল কৰি তোলে। বিদ্যালয়খনৰ শিক্ষক দিব্যজ্যোতি নাথক কালি বিদ্যালয়ৰ এগৰাকী অভিভাৱিকাৰ গোচৰ ভিত্তিত গড়মূৰ আৰক্ষীয়ে আটক কৰিছিল। উল্লেখ্য যে উক্ত খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অটোমটিভ বিভাগৰ শিক্ষক দিব্যজ্যোতি নাথে যোৱা ২১ মে'ত বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ আয়ুস দাস নামৰ এজন ছাত্ৰক বেয়াকৈ বেত্ৰাঘাত কৰিছিল। সপ্তম শ্ৰেণীৰ ছাত্ৰ আয়ুস দাসে অশ্লীল শব্দ প্ৰয়োগ কৰা বুলি একে শ্ৰেণীৰ ছাত্ৰই শিক্ষক দিব্যজ্যোতি নাথক গোচৰ দিছিল। তেতিয়া দিব্যজ্যোতি নাথে কাকৰিকটা গাঁৱৰ আয়ুস দাসক কেইবাবাৰো বেত্ৰাঘাত কৰাৰ ফলত আয়ুসৰ গাৰ ছাল ফাটি গৈছিল। পিছত আয়ুস দাসৰ মাতৃয়ে বিদ্যালয়ত আহি অভিযুক্ত শিক্ষক দিব্যজ্যোতি নাথক তীব্ৰ গালি-গালাজ পাৰে। সেই সময়ত শিক্ষক দিব্যজ্যোতি নাথে ক্ষমা প্ৰাৰ্থনা বিচাৰে যদিও আয়ুসৰ মাকে ক্ষমা নকৰাত পৰৱৰ্তী সময়ত বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীণ সৰকাৰ আৰু সকলো শিক্ষক-শিক্ষয়িত্ৰী আহি আয়ুসৰ মাতৃৰ ওচৰত ক্ষমা খোজে। কিন্তু মাকে ক্ষমা কৰাৰ দূৰৰ কথা শিক্ষক দিব্যজ্যোতি নাথৰ বিৰুদ্ধে গড়মূৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰে। আয়ুস দাসৰ মাতৃৰ এজাহাৰৰ ভিত্তিত কালি গড়মূৰ আৰক্ষীয়ে ২৫/২০২৫ নম্বৰত ইউ এছ/ ১২৭(২), ১১৭(২), ৪৯ বি এন এছ আৰ/ ডব্লিউ ছেকচন ৭৫ জে জে আইনত গোচৰ ৰুজু কৰে আৰু অভিযুক্ত শিক্ষক দিব্যজ্যোতি নাথক গ্ৰেপ্তাৰ কৰে। আজি শিক্ষকজনৰ মুক্তিৰ দাবীত বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী বৰ্জন কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পুৱা ন বজাত বিদ্যালয়ৰ সামূহিক প্ৰাৰ্থনাৰ পাছতে বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী আয়ুস দাসৰ ঘৰলৈ গৈ সকলোৱে শিক্ষক দিব্যজ্যোতি নাথক ক্ষমা কৰিব লাগে বুলি আয়ুসৰ মাতৃক হাতযোৰ কৰে আৰু দিব্যজ্যোতি নাথৰ বিৰুদ্ধে দিয়া কেচ উঠাই ল'বলৈ বিনম্ৰ অনুৰোধ জনায়। কিন্তু, আয়ুসৰ মাতৃয়ে কেচ উঠাই নলওঁ বুলি কৈ ছাত্ৰ-ছাত্ৰীসকলক ঘৰৰপৰা পঠিয়াই দিয়ে।
পিছত সকলো ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ আহে আৰু ছাত্ৰ ছাত্ৰীসকলে শিক্ষক দিব্যজ্যোতি নাথক মুক্তি দিবলৈ শ্ল'গান দিয়ে। কান্দোনত সকলো ছাত্ৰ-ছাত্ৰী ভাগি পৰে। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিবাদ দেখি বিদ্যালয়খনত শতাধিক অভিভাৱক আৰু স্থানীয় ৰাইজ আহি উক্ত প্ৰতিবাদত অংশগ্ৰহণ কৰে আৰু বিদ্যালয়ৰ সন্মুখত বহি পৰে। একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ সন্মুখৰ গড়কাপ্তানী পথ অৱৰোধ কৰিবলৈও চেষ্টা কৰে যদিও বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ আহ্বানত ছাত্ৰ-ছাত্ৰীসকলে গড়কাপ্তানী পথৰ পৰা নামি আহি বিদ্যালয়খনৰ সন্মুখতে থকা ফিল্ডত বহি প্ৰতিবাদ সাব্যস্ত কৰে আৰু গড়মূৰ আৰক্ষীয়ে কালি আটক কৰা শিক্ষক দিব্যজ্যোতি নাথক তৎকালীনভাৱে মুকলি কৰি দিয়াৰ বাবে দাবী জনায়। উক্ত সময়ত মাজুলী জিলা যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞা আৰু সম্পাদক সীমান্ত বৰা আহি ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনাত মিলিত হয়। ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে ফেষ্টুন, বেনাৰ, প্লে' কাৰ্ড লৈ "আমাৰ ছাৰ, নিৰ্দোষী, "আমাৰ চাৰক মুক্তি দিয়ক", "আমাক পাঠদানৰ পৰা বঞ্চিত নকৰিব", "আমাক ন্যায় লাগে" আদি শ্ল'গানৰে পৰিৱেশ উত্তাল কৰি তোলে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ৰ অভিভাৱকসকলে আজি বিদ্যালয়ৰ চৌহদত আৰম্ভ কৰা উক্ত প্ৰতিবাদ দেখি মাজুলীৰ জিলা প্ৰশাসনৰ হৈ অতিৰিক্ত সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোঁহাই ঘটনাস্থলীত উপস্থিত হয় আৰু দীৰ্ঘসময় ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু বিদ্যালয় কৰ্তৃপক্ষৰ লগত আলোচনাত মিলিত হয়। ছাত্ৰ-ছাত্ৰীসকলে জিলা প্ৰশাসনৰ প্ৰতিনিধিজনক তেওঁলোকৰ প্ৰিয় শিক্ষক দিব্যজ্যোতি নাথক মুক্তি নিদিয়ালৈকে প্ৰতিবাদ অব্যাহত ৰাখিব বুলি ঘোষণা কৰে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়ৰ অভিভাৱক, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদ আৰু স্থানীয় ৰাইজে মাজুলীৰ জিলা আয়ুক্ত আৰু আৰক্ষী প্ৰশাসনৰ লগত বাৰম্বাৰ আলোচনা কৰে। পিছত গড়মূৰ থানালৈ বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীণ সৰকাৰ, স্থানীয় গাঁওপ্ৰধান অৰুণ কুমাৰ দাস আৰু মনজিত পামেগামক মতাই নিয়ে আৰু বিয়লি দুই বজাত আটকাধীন শিক্ষক দিব্যজ্যোতি নাথক জামিনত মুক্তি দিয়ে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰবীণ সৰকাৰ আৰু স্থানীয় দুজন গাঁওপ্ৰধানে জামিনত মুক্তি লাভ কৰা দিব্যজ্যোতি নাথক বিদ্যালয়লৈ লৈ অনাৰ পাছত বিদ্যালয়ৰ শ শ ছাত্ৰ-ছাত্ৰীয়ে প্ৰিয় শিক্ষকজনক সাৱটি চিঞৰি চিঞৰি কান্দি উঠে আৰু গামোচা, মিচিং এৰকক পিন্ধাই সমদল কৰি বিদ্যালয়লৈ আদৰি আনে। বিদ্যালয়খনত উপস্থিত হৈয়ে শিক্ষক দিব্যজ্যোতি নাথে পৰৱৰ্তী সময়ত বিদ্যালয়ৰ কোনো ছাত্ৰ-ছাত্ৰীক প্ৰহাৰ নকৰে বুলি কৈ সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰে। অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীণ সৰকাৰ আৰু সহকাৰী প্ৰধান শিক্ষক ৰাজীৱ দত্ত ভূঞা এক আলোচনাত মিলিত হয় আৰু বিদ্যালয়খনলৈ সুস্থ শৈক্ষিক বাতাবৰণ পুনৰ কঢ়িয়াই আনিবলৈ সকলোকে অনুৰোধ জনায়।

# ডুমডুমাত অংগনৱাড়ী কৰ্মীৰ মাজত স্মাৰ্টফোন বিতৰণ মন্ত্ৰী ৰূপেশ গোৱালাৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৪ মে':** ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাই আজি ডুমডুমাৰ মাৰোৱাৰী পঞ্চায়তী ভৱনত অনুষ্ঠিত হোৱা তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰু হাপজান সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ অংগনৱাড়ী কৰ্মীৰ মাজত স্মাৰ্টফোন বিতৰণৰ এক কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৰ্মীসকলৰ মাজত স্মাৰ্ট ফোন বিতৰণ কৰে। এই উপলক্ষে ভাষণ দি মন্ত্ৰী গোৱালাই কয় যে, এই নতুন স্মাৰ্ট ফোনসমূহৰ জৰিয়তে অংগনৱাড়ী কৰ্মীসকলে এতিয়াৰ নিজৰ কাম সুচলভাৱে আগবঢ়াব নিয়াৰ লগতে নিজৰ সেৱা প্ৰদানৰ ক্ষেত্ৰত গুণগত মান উন্নত কৰিব পাৰিব। তেওঁ এই আঁচনিখনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগৰ ভূয়সী প্ৰশংসা কৰে। 'ৰাষ্ট্ৰীয় পোষণ অভিযান' ৰ অংশ হিচাপে ৰাজ্যৰ অংগনৱাড়ী কৰ্মীসকলৰ মাজত বিতৰণ কৰা এই স্মাৰ্ট ফোনসমূহ চৰকাৰৰ ই-মাৰ্কেট (Ge-M)ৰ জৰিয়তে ক্ৰয় কৰি অংগনৱাড়ী কৰ্মীসকলক প্ৰদান কৰা হৈছে, যাতে তেওঁলোকে নিজৰ সেৱাৰ দক্ষতা বৃদ্ধি কৰিব পাৰে। এই আঁচনিখনে অংগনৱাড়ী কৰ্মীসকলক ডিজিটেলভাৱে সৱল কৰাৰ লগতে Poshan Tracker এপ ব্যৱহাৰৰ সক্ষমতা বৃদ্ধি কৰিবলৈ লক্ষ্য স্থিৰ কৰি দিছে, যিয়ে তেওঁলোকৰ কাম-কাজসমূহ ডিজিটেলাইজ আৰু স্বয়ংক্ৰিয় কৰি তুলিব। আজিৰ অনুষ্ঠানত ডুমডুমা সমজিলা আয়ুক্ত নুজহাৎ নাছৰিন, সহঃ আয়ুক্ত কৃতাৰ্থ নেওগ, ডুমডুমা পৌৰ সভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, পোষণ অভিযানৰ বিষয়া কাবেৰী সোণোৱাল, কাকপথাৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া অসীম পাচনি, হাপজান সংহত শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া বেদান্ত কলিতাৰ লগতে অংগনৱাড়ী কৰ্মীসকল উপস্থিত থাকে।

# প্ৰতিকুল বতৰকো নেওচি গোলকগঞ্জত ত্ৰিৰংগা যাত্ৰা

ই-সংবাদ, গোলকগঞ্জ, ২৪ মে': অপাৰেচন সিন্দুৰৰ সফলতাৰ বাবে ভাৰতীয় সেনাৰ মনোবল বৃদ্ধিৰ লগতে দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সিদ্ধান্তক ধন্যবাদ জনাই আজি বিয়লি গোলকগঞ্জত বিশাল ত্ৰিৰংগা যাত্ৰা উলিওৱা হয়। প্ৰতিকুল বতৰক নেওচি গোলকগঞ্জৰ পুৰণি দুৰ্গা মন্দিৰ প্ৰাংগণৰ পৰা ত্ৰিৰংগা ৰেলী দত্তপাৰা হৈ চিন্ময়ী বিদ্যাপীঠৰ সন্মুখেৰে আহি জগমোহন বিদ্যাপীঠত সামৰণি পৰে। ত্ৰিৰংগা যাত্ৰাত গোলকগঞ্জৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ বেণ্ড, চিলাৰায় মহাবিদ্যালয়ৰ NCC, গৌৰীয় বেদান্ত গুৰুকুলৰ প্ৰশিক্ষাৰ্থী, বিজেপি দলৰ নেতা-কৰ্মীকে ধৰি দুই সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। ৰেলীত প্ৰাক্তন বিধায়ক তথা অসম প্ৰদেশ বিজেপিৰ অবিচি মৰ্চাৰ সভাপতি অশ্বিনী ৰায় সৰকাৰ, জিলা বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ ৰায়, গোলকগঞ্জ ব্লক মণ্ডল বিজেপিৰ সভাপতি গোবিন্দ অধিকাৰী, গোলকগঞ্জৰ জিলা পৰিষদ সদস্য দেবব্ৰত ৰায়কে ধৰি বহু কৰ্মকৰ্তা উপস্থিত থাকে।

# তামাৰহাটত দুই নাৰী সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**ই-সংবাদ, তামাৰহাট, ২৪ মে':** নাৰী সৰবৰাহ আৰু অপহৰণৰ অভিযোগত তামাৰহাট আৰক্ষীয়ে আজি আটক কৰে দুজন যুৱকক। আটকাধীন যুৱক দুজন তামাৰহাট থানাৰ অন্তৰ্গত ৰামনাথপাৰা গাঁৱৰ মনোৱাৰ হোছেইন প্ৰধানী আৰু পলাশকান্দি গাঁৱৰ মিজানুৰ সেখ। শুকুৰবাৰে যুৱক দুজনে কামানডাংগা অঞ্চলৰ পৰা মিছা প্ৰলোভনেৰে তিনিগৰাকী নাবালিকাক AS-17 P-1055 নম্বৰৰ অ'ল্ট গাড়ীৰে ফুৰিবলৈ লৈ যায় ধুবুৰীৰ গৌৰীপুৰলৈ। গৌৰীপুৰত নাৰী সৰবৰাহকাৰীৰ হাতত গতাই দিয়াৰ কথাৰ উমান পাই কোনোমতে পলাবলৈ সক্ষম হয় ভুক্তভোগী নাবালিকা তিনিগৰাকী। ঘটনা সন্দৰ্ভত তামাৰহাট থানাত এজাহাৰ দাখিল কৰে ভুক্তভোগীৰ পৰিয়ালৰ লোকে। অপহৰণ আৰু নাৰী সৰবৰাহৰ গোচৰৰ ভিত্তিত আৰক্ষীয়ে আটক কৰে দুই অভিযুক্তক। নাৰী সৰবৰাহত ব্যৱহৃত মনোৱাৰ হোছেইনৰ AS-17 P-1055 নম্বৰৰ অ'ল্ট গাড়ীখন আৰক্ষীয়ে জব্দ কৰি থানালৈ নিয়ে। যুৱক দুজনক আৰক্ষীয়ে আটক কৰি 61(2), 140 (3), 145 BNS ধাৰাৰ অধীনত 52/2025 নম্বৰত গোচৰ পঞ্জীয়ন কৰে। তামাৰহাট আৰক্ষীয়ে চক্ৰটোক উৎখাত কৰাৰ বাবে দুয়োকে জেৰা অব্যাহত ৰাখিছে।

# অন্তঃসত্ত্বা মহিলাক ইটাৰে আঘাতৰ ফলত চাৰিমহীয়া ভ্ৰূণ নষ্টৰ অভিযোগ

## ন্যায় বিচাৰি থানাত উপস্থিত অসহায় গৰ্ভৱতী মহিলা

**ই-সংবাদ, চাপৰ, ২৪ মে':** ধুবুৰী জিলাৰ চাপৰ থানাৰ অন্তৰ্গত ফলিমাৰী প্ৰথম খণ্ড গাঁৱৰ এগৰাকী অন্তঃসত্তা মহিলাক ইটাৰে আক্ৰমণ কৰাৰ ফলত চাৰিমহীয়া গৰ্ভ নষ্ট হোৱাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত বাতৰি মতে, যোৱা মঙলবাৰৰ দিনা চাপৰৰ ফলিমাৰী প্ৰথম খণ্ড গাঁৱৰ এটা ৰাস্তাৰে গাড়ী চলোৱাক কেন্দ্ৰ কৰি উক্ত গাঁৱৰে হাসিদা খাতুনৰ লগত কাজিয়াৰ সুত্ৰ পাত হয়। অভিযোগ মৰ্মে ফলিমাৰী প্ৰথম খণ্ডৰ বাসিন্দা দেলবৰ আলীৰ ঘৰৰ কাষৰে অহা যোৱা কৰা পথক লৈ হাসিদা খাতুন আৰু দেলবৰ আলীৰ মাজত কাজিয়াৰ সুত্ৰ পাত ঘটে। দেলবৰ আলী আৰু তেখেতৰ পত্নী জাহেদা খাতুনে ঘৰত প্ৰবেশ কৰি হাসিদা খাতুনক আক্ৰমণ কৰাৰ লগতে হাসিদা খাতুনৰ ওচৰত থকা তাইৰ গৰ্ভৱতী কন্যাক পতি-পত্নীয়ে মিলি ইটাৰে পেটত দলিয়ায় বুলি অভিযোগ পোৱা গৈছে। পিছত গৰ্ভৱতী মহিলা গৰাকীক ততাতৈয়াকৈ চাপৰ চিকিৎসালয়ত ভৰ্তি কৰায় যদিও উন্নত চিকিৎসাৰ বাবে বঙাইগাঁওলৈ প্ৰেৰণ কৰে । বঙাইগাঁও চিকিৎসালয়ত গৰ্ভৱতী মহিলাগৰাকীক পৰীক্ষা কৰি Ultra Sonography কৰাৰ পিছত গৰ্ভত থকা সন্তানটি মৃত বুলি চিকিৎসকে পৰিয়ালৰ লোকক জানিব দিয়াৰ লগতে উন্নত চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে বুলি পৰিয়াল সুত্ৰে প্ৰকাশ। আজিও গৰ্ভৱতী মহিলা গৰাকীৰ ৰক্ত পাত হৈ আছে বুলি জানিব পৰা গৈছে। উক্ত ঘটনা সন্ধৰ্ভত মাতৃ হাসিদা খাতুনে দেলবৰ আলী আৰু তেওঁৰ পত্নী জাহেদা খাতুনৰ নামত চাপৰ থানাত যোৱা ২১ মে'ত এখন এজাহাৰ দাখিল কৰিছিল। কিন্তু তিনি দিন উকলি যোৱাৰ পিছতো চাপৰ আৰক্ষীয়ে গোচৰ পঞ্জীয়ন নকৰাৰ অভিযোগ উত্থাপিত কৰিছে ভুক্তভোগীয়ে। ইপিনে নিজৰ গৰ্ভত থকা সন্তানক হেৰুৱাই এতিয়া দিশহাৰা হৈছে মহিলা গৰাকী। আনপিনে চাপৰ আৰক্ষী থানাত এজাহাৰ দিয়াৰ পিছতো আৰক্ষীয়ে কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ। ইপিনে ভুক্তভোগীয়ে সাংবাদিকক জানিব দিয়া মতে চাপৰ থানাৰ আৰক্ষী বিষয়াসকল ব্যস্ত থকাৰ বাবে হেনো পঞ্জীয়ন কৰা নাছিল গোচৰটো।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত দুগৰাকী প্ৰবক্তাক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ মে':** উজনি অসমৰ অন্যতম প্ৰাচীন উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)-ৰ অংকশাস্ত্ৰ বিভাগৰ দুগৰাকীকৈ নিষ্ঠাৱান, দায়িত্বশীল অধ্যাপক ক্ৰমে ডঃ প্ৰিয়দেৱ গোস্বামী আৰু দিলীপ বৰবৰাক আজি অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনাজ্ঞাপন কৰা হয় । অসম কলেজ শিক্ষক সংস্থা আৰু গোটৰ সভাপতি ডঃ মধুমিতা পুৰকায়স্থয়ে সভাপতিত্বকৰা সভাখনিত উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই দুয়োগৰাকী বিদায়ী প্ৰাৰ্থীৰ দক্ষতাপূৰ্ণ কৰ্মৰাজিক শ্ৰদ্ধাৰে সুঁৱৰি দুয়োজনক কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত বিদায়ী প্ৰাৰ্থী ডঃ প্ৰিয়দেৱ গোস্বামীয়ে তেওঁৰ কৰ্মজীৱনৰ প্ৰথম দিনটোৰপৰা শেষলৈকে সকলো অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে মহাবিদ্যালয়খনে তেওঁক দিয়া আদৰ আৰু স্বীকৃতিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁৰ সুদীৰ্ঘ কাৰ্যকালত মহাবিদ্যালয়ত বিভিন্ন কৰ্মত নিয়োজিত হৈ নিজৰ দায়িত্ব কিদৰে পালন কৰিছিল সেইবিষয়ে অৱগত কৰাৰ লগতে সকলোৰে পৰা পোৱা সহযোগিতাৰ বাবে শলাগ জ্ঞাপন কৰে। আনগৰাকী বিদায়ী প্ৰাৰ্থী দিলীপ বৰবৰাই তেওঁৰ ভাষণ প্ৰসংগত তেওঁৰ কৰ্ম জীৱনৰ পাতনিৰ পৰা অৱসৰ গ্ৰহণ কৰালৈকে সুদীৰ্ঘ পৰিক্ৰমা অংক শাস্ত্ৰৰ কথনশৈলীৰে প্ৰকাশ কৰে। তেওঁৰ সুদীৰ্ঘ কৰ্ম জীৱনত মহাবিদ্যালয়খনৰ পৰা পোৱা সন্মান সদায় হৃদয়ত ধৰি ৰাখিব বুলি মতপ্ৰকাশ কৰি আৱেগিক হৈ পৰাৰ লগতে তেওঁ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ সন্মুখত আঠুকাঢ়ি কৰজোৰে ৩৫বছৰীয়া কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ ক্ষমা খুজি আনুষ্ঠানিকভাৱে বিদায় গ্ৰহণ কৰে। উল্লেখ্য যে দুয়োগৰাকী বিদায়ী প্ৰাৰ্থীক অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোছা,চেলেং চাদৰ, সম্বৰ্ধনা পত্ৰ আৰু একোখনকৈ শৰাইৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, উপাধ্যক্ষ অভিজিৎ বৰুৱা, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ দিলীপ ভূঞা, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ডঃ অনুপজ্যোতি ভৰালী, ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰঞ্জন চাংমাই প্ৰমুখ্যে ভালেসংখ্যক প্ৰাক্তন অধ্যাপক-অধ্যাপিকা, অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয়শিক্ষক গোটৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। এই অনুষ্ঠানতে অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ বাৰ্ষিক আলোচনী 'ৱাক - দ্যা ৱৰ্ড" আৰু মহাবিদ্যালয়ৰ ২০২৪ বৰ্ষৰ মুখপত্ৰ উন্মোচন কৰা হয়। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে।

# বৰপেটাৰোডত মালবাহী ট্ৰাকৰ খুন্দাত এজন নিহত

**ই-সংবাদ, বৰপেটাৰোড, ২৪ মে':** আজি বৰপেটাৰোডৰ কলহভাংগাৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। ভুটানৰ মালবাহী ট্ৰাকৰ খুন্দাত নিহত হয় এজন ব্যক্তি। কালহভাংগাৰ ৰাষ্ট্ৰীয় ঘাইপথ পৰা হ'বলৈ লওঁতেই সংঘটিত হয় এই ভয়ংকৰ দুৰ্ঘটনাটো। নিহত ব্যক্তিগৰাকী চিৰাং জিলাৰ বিষ্ণুপুৰৰ প্ৰীতম দেৱ নাথ(৩৬)বুলি জানিব পৰা গৈছে। পুৱা গুৱাহাটী অভিমুখে গৈ থকা ভুটানৰ BP-5 A-0120 নম্বৰৰ মালবহী ট্ৰাকৰ খুন্দাত গুৰুতৰভাৱে আহত হয় যদিও চিকিৎসালয়ত নিয়াৰ পথতেই মৃত্যু হয় প্ৰীতম দেৱ নাথ নামৰ ব্যক্তিগৰাকীৰ। নিহত প্ৰীতম দেৱ নাথৰ ঘৰ চিৰাং জিলাৰ বিষ্ণুপুৰত ঘৰ যদিও কৰ্মসূত্ৰে বৰপেটাৰোডৰ কালহভাংগাত ভাৰতীয়া হিচাপে আছিল। নিহত প্ৰীতম দেৱ নাথ পেছাত এগৰাকী মিস্ত্ৰী আছিল। মৃত্যুৰ সময় তেওঁ এজন পুত্ৰ আৰু পত্নীক এৰি যায়।

# টীয়কৰ মহাপ্ৰৱঞ্চক তথা অবৈধ ব্যৱসায়ৰে জড়িত পংকজ বৰুৱাক গ্ৰেপ্তাৰ

**ই-সংবাদ, টীয়ক ২৪ মে':** মহা প্ৰবঞ্চক তথা অবৈধ ব্যৱসায়ত জড়িত, পলাতক অভিযুক্ত পংকজ বৰুৱা ওৰফে বাবা বৰুৱাক টীয়কৰ নতুন মেলেহৰ পৰা আজি নিশা লাহদৈগড়ৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া দীপাংকৰ দলেৰ নেতৃত্বত যোৱা আৰক্ষী দলে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। তিতাবৰ, সোণাৰি, গড়মূৰ, গৌৰীসাগৰ, ঢকুৱাখনা আদি বিভিন্ন থানাত একাধিক গোচৰ ৰুজু হৈ থকা পলাতক অভিযুক্ত উজনি অসমৰ গাড়ী চুৰি চক্ৰৰ মাষ্টৰমাইণ্ড পংকজ বৰুৱাক আজি পুৱতি নিশা গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় লাহদৈগড় আৰক্ষীয়ে। ধৃত পংকজ বৰুৱা ওৰফে বাবা বৰুৱাৰ বিৰুদ্ধে ক্ৰমে যোৰহাটৰ তিতাবৰ থানাত-Case/No- 42/25 U/S 318(4)BNS আৰু Case/No- 53/25 U/S 318(4)/316(2) BNS, চৰাইদেউৰ সোণাৰি থানাত-Case/No - 30/25 U/S 111(2)(b)/316 (2)/318 (4) BNS, মাজুলীৰ গড়মূৰ থানাত-Case/No- 58/21, শিৱসাগৰৰ গৌৰীসাগৰ থানাত-Case/No 7/25 U/S 3(5)/316(2)/318 (4)/61BNS আৰু ঢকুৱাখনা থানাত Case



No-38/25 u/s 305 BNS-ৰ অধীনত ইতিমধ্যে গোচৰ ৰুজু হৈ আছে। আৰক্ষীৰ সূত্ৰ পৰা জানিব পৰা মতে, মহা প্ৰবঞ্চক, চোৰ পংকজ বৰুৱাই যদি কেতিয়াবা মানুহৰ ঘৰৰ পৰা টকা চোৰ কৰে, কৌশলেৰে কেতিয়াবা আকৌ গাড়ী ভাড়াত লৈ নি বিক্ৰী কৰে বেলেগক ইফালে, জাল নোটৰ ব্যৱসায়ী চক্ৰৰ লগতো জড়িত এইজন পংকজ বৰুৱা। ঠগ-প্ৰবঞ্চনাৰে একেলগে ৫খন গাড়ী ভাড়াত লৈ আন ঠাইলৈ নি বিক্ৰী কৰি গাড়ীৰ মালিক আৰু আৰক্ষীৰ চকুত ধূলি দি আত্মগোপন কৰি থকাৰো অভিযোগ আছে পংকজ বৰুৱাৰ বিৰুদ্ধে।

# বলমাৰ সমাজকৰ্মী, ক্ষুদ্ৰ চাহ খেতিয়ক মুকুন্দ বুঢ়াগোহাঁইৰ বিয়োগ



**ই-সংবাদ, টীয়ক, ২৪ মে':** টীয়ক বলমাৰ সমাজ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত, ৯ নং বলমা গাঁও পঞ্চায়তৰ প্ৰাক্তন উপ-সভাপতি, অগ্ৰণী জ্যেষ্ঠ ক্ষুদ্ৰ চাহ খেতিয়ক তথা সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ অন্তৰ্গত যোৰহাট জিলা সমিতিৰ প্ৰাক্তন সদস্য, যোৰহাট জিলা কৃষি বিভাগৰ দ্বাৰা পুৰস্কাৰ প্ৰাপ্ত কৃষক, বলমা আলোক যুৱক সংঘ পুথিভঁৰালৰ প্ৰাক্তন সম্পাদক, যোৰহাট জিলা যুৱ কংগ্ৰেছৰ প্ৰাক্তন সম্পাদক তথা বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰি ধৰোঁতা মুকুন্দ বুঢ়াগোহাঁইৰ ২৩ মে'ত বলমাস্থিত নিজা বাসগৃহত বৃক্ক ৰোগজনিত ৰোগত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ। পত্নী আৰু একমাত্ৰ পুত্ৰ সন্তানক তেওঁ ইহ সংসাৰত এৰি থৈ যায়। মুকুন্দ বুঢ়াগোহাঁইৰ মৃত্যুত সমগ্ৰ বলমা অঞ্চলত শোকৰ ছাঁ পৰে।

# দেৱাশিস শৰ্মাক অৱসৰপ্ৰাপ্ত অসামৰিক সেৱা বিষয়া সন্থাৰ সম্বৰ্ধনা

**ই-সংবাদ, লাহৰীঘাট, ২৪ মে':** কৰ্কট ৰোগীসকলৰ বাবে যোৱা ২০ বছৰে আগবঢ়াই অহা উল্লেখনীয় অৱদানৰ বাবে মৰিগাঁও জিলাৰ আয়ুক্ত তথা ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া দেৱাশীষ শৰ্মাক আজি অৱসৰপ্ৰাপ্ত অসম অসামৰিক সেৱা বিষয়া সন্থাই সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে দিছপুৰৰ লোক সেৱা ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জিলা আয়ুক্তগৰাকীক ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত দিয়া ভাষণত সন্থাৰ সভাপতি প্ৰশান্ত বৰুৱাই দেৱাশীষ শৰ্মাৰ অৱদানৰ কথা উল্লেখ কৰি কয় যে আৰ্থিকভাৱে দুৰ্বল কৰ্কট ৰোগীসকলৰ বাবে মুম্বাইৰ অসম ভৱনক তেওঁ এক আশ্ৰয়স্থল হিচাপে গঢ় দিছিল। শৰ্মাই গঢ় দিয়া দ্বীপশিখা ফাউণ্ডেচনে কৰ্কট ৰোগৰ যতনৰ ক্ষেত্ৰত কেৱল অসমৰ ৰোগীসকলৰে নহয় দেশৰ অন্যান্য ঠাইৰ পৰা উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ অহা ৰোগীসকললৈও উল্লেখনীয় সেৱা আগবঢ়াইছিল। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া থানেশ্বৰ মালাকাৰে মুম্বাইৰ অসম ভৱনৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি কয় যে দ্বীপশিখা ফাউণ্ডেচনে কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত কৰ্কট ৰোগ চিনাক্তকৰণ, আৰ্তজনক জীৱনৰ অন্তিম মুহূৰ্তত আগবঢ়োৱা নিঃস্বাৰ্থ সেৱা, এম্বুলেন্স সেৱা, ৰোগ উপশম যতন, উপযুক্ত পৰামৰ্শ প্ৰদান আদি এক ব্যাপক পৰিসৰত সেৱা আগবঢ়াই আহিছে। অনুষ্ঠানত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া তথা অসমৰ প্ৰশাসনিক ক্ষেত্ৰখনৰ নক্ষত্ৰস্বৰূপ কেইবাগৰাকীও ব্যক্তি হৰিশ সোণোৱাল, লক্ষী তামুলী, ধীৰেন্দ্ৰ শইকীয়া, স্বপ্নীল বৰুৱা আদিয়ে ভাষণ দিয়ে। সন্থাৰ সাধাৰণ সম্পাদক ৰমানন্দ ফুকনে নিজৰ কৰ্তব্য সম্পাদন কৰিবলৈ যাওঁতে ব্যতিক্ৰমী কৰ্ম তথা চিন্তাৰে সেৱা আগবঢ়োৱা অসামৰিক সেৱাৰ বিষয়াসকলক ৰাজহুৱাভাৱে স্বীকৃতি প্ৰদান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত দিয়া ভাষণত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই তেওঁক জনোৱা সম্বৰ্ধনাৰ বাবে জ্যেষ্ঠসকলক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে তেওঁ আজিলৈকে লাভ কৰা বঁটা, সন্মান আৰু সম্বৰ্ধনাসমূহৰ ভিতৰত আজিৰ দিনটো তেওঁৰ বাবে বিশেষ হৈ ৰ'ব, কিয়নো তেওঁৰ নিজৰ সেৱাৰ বিষয়াসকল ইয়াৰ সৈতে জড়িত হৈ আছে, যিসকলৰ পৰা তেওঁ প্ৰশাসনৰ মূল আধাৰ সন্দৰ্ভত জ্ঞান লাভ কৰিছিল। অনুষ্ঠানত ভালেসংখ্যক অৱসৰপ্ৰাপ্ত আৰু কৰ্মৰত বিষয়া উপস্থিত আছিল। সকলো বিষয়াই শৰ্মাক অভিনন্দন জ্ঞাপন কৰি ভৱিষ্যতে এই সেৱা অবিৰতভাৱে ৰাখিবলৈ শুভেচ্ছা জ্ঞাপন কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

# বিহুবৰ চাহ বাগিচাত অবৈধ শিল খননৰ বিৰুদ্ধে সৰৱ চাহ জনগোষ্ঠীয় সংগঠন



**ই-সংবাদ, গেলেকী, ২৪ মে':** নাজিৰা সমজিলাৰ অধীনস্থ লক্ষ্মীজান খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বিহুবৰ চাহ বাগিচাত ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগৰ চিলিং হিচাপে চিনাক্ত ভূমিত চাহ গছ উচ্ছেদ কৰি অবৈধভাৱে শিল খনন কৰি থকা বুলি গুৰুতৰ অভিযোগ উঠিছে। যাৰ বাবে এতিয়া চাহ জনজাতি সংগঠন আৰু শ্ৰমিকৰ মাজত তীব্ৰ ক্ষোভৰ সঞ্চাৰ হৈছে। অভিযোগ অনুসৰি ২০২২ চনৰ পৰা বিহুবৰ চাহ বাগিচাৰ ভিতৰত বাগিচাৰ মালিক পক্ষই অবৈধভাৱে শিল খনন আৰম্ভ কৰাৰ ফলত অঞ্চলটোৰ চাহ খেতি সংকুচিত হৈ পৰিছে। ফলস্বৰূপে বহু শ্ৰমিকৰ পৰিয়াল এতিয়া এই অন্ধকাৰ ভৱিষ্যতৰ দিশে গতি কৰাৰ অভিযোগ উত্থাপিত হৈছে। মালিক পক্ষৰ এনে শ্ৰমিক বিৰোধী নীতিৰ তীব্ৰ সমালোচনা কৰি এই অনৈতিক খনন কাৰ্য শীঘ্ৰে বন্ধ কৰাৰ দাবী উত্থাপন কৰিছে অসম চাহ জনজাতি যুৱ-ছাত্ৰ পৰিষদে। এই সম্পৰ্কে অসম চাহ জনজাতি যুৱ-ছাত্ৰ পৰিষদৰ বিহুবৰ চাহ বাগিচা প্ৰাথমিক গোটৰ উদ্যোগত নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰা হয়। কাৰ্যসূচীৰ অন্তত নাজিৰা সমজিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। স্মাৰক পত্ৰ প্ৰদান কৰি সংগঠনটোৱে ইয়াৰ পিছতো যদি অবৈধ খনন বন্ধ কৰা নকৰে, তেন্তে মালিক পক্ষৰ লগতে দায়িত্বপূৰ্ণ চৰকাৰী কৰ্তৃপক্ষৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন কৰিবলৈ সংগঠনটো বাধ্য হ'ব বুলি হুংকাৰ প্ৰদান কৰে। স্থানীয় ৰাইজৰ মতে, ৰাজহ বিভাগৰ মালিকানাধীন ভূমিত এনে ধ্বংসাত্মক খনন কাৰ্য একেবাৰে অবৈধ আৰু ইয়াত বন বিভাগ, ৰাজহ বিভাগ তথা জিলা প্ৰশাসনৰ নীৰৱতাই বিষয়টো আৰু অধিক সন্দেহজনক কৰি তুলিছে।

## ভৱানীপুৰত ইৰি ধানৰ উৎপাদন হ্ৰাসক লৈ হাহাকাৰ খেতিয়কৰ

ই-সংবাদ, ভৱানীপুৰ, ২৪ মে': ভৱানীপুৰৰ বিভিন্ন অঞ্চলৰ খেতি পথাৰত ইৰি ধানৰ উৎপাদনত বিৰূপ প্ৰভাৱ পৰাৰ সম্ভাৱনা নিশ্চিত হৈ পৰিছে। ভুক্তভোগী খেতিয়কসকলে এই কথা জানিবলৈ দিছে। আগেয়ে ২৫-৩০ মোনকৈ ইৰি ধান উৎপাদন হোৱা অঞ্চলটোৰ প্ৰতি বিঘা কৃষি ভূমিত এইবেলি উৎপাদন ১৮-২০ আৰু ঠাই বিশেষে ১০-১২ মোনতে সীমিত থাকিব বুলি নিশ্চয়তা ব্যক্ত কৰিছে কৃষকসকলে। ইয়াকে লৈ অঞ্চলটোৰ ইৰি খেতিৰ কৃষকসকলৰ মাজত একপ্ৰকাৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। উল্লেখ্য যে অঞ্চলটোৰ সানিকুৰা, বাটোৰা, দলোপথাৰ, চাউলীয়াবড়ী, কৰ্দৈগুৰী, কঁহৰা গাঁও, কঁহৰা পথাৰ, কঁহৰা, কুৰোবাহা আদি গাঁওসমূহৰ কৃষিভূমিত স্থানীয় কৃষক ৰাইজে আঠাইশা, লাল গংগা, লালপাণ-৮৩৬, মাইকো-২০১৭ আদিকে ধৰি বিভিন্ন জাতৰ ইৰি ধানৰ খেতি কৰি আহিছে যদিও অধিক উৎপাদনক্ষম হিচাপে লালগংগা বিধৰ জাতটোকে অগ্ৰাধিকাৰ দি আহিছে। জলসিঞ্চনৰ মুঠেই সুবিধা নথকা অঞ্চলটোৰ কৃষি ভূমিসমূহত অঞ্চলটোৰ কৃষক ৰাইজে প্ৰচুৰ অৰ্থব্যয়েৰে নিজাববীয়াকৈ পানী উত্তোলক ব্যৱস্থাৰ সহায়ত কৃষি ভূমিসমূহত জলসিঞ্চনৰ ব্যৱস্থা কৰি আহিছে। এইক্ষেত্ৰত থোৰ মেলাৰ পিছতে জলসিঞ্চন ব্যৱস্থাটো বন্ধ কৰি দিয়াৰ পিছতে অঞ্চলটোত কেইবাদিনো একেলেথাৰিয়ে হোৱা খৰাং সদৃশ পৰিৱেশ আৰু তাৰ পিছতে থোৰ মেলা গাখীৰতী ধানত মজা খোৱা পোকৰ আক্ৰমণৰ ফলত ধানত হোৱা পতান আৰু শেহতীয়াকৈ ধান চপোৱাৰ সময়ত হোৱা আবতৰীয়া ধুমুহা-বৰষুণৰ কথা উল্লেখ কৰিছে। উল্লেখ্য, ১৯৭৫ চনত ৰাজ্যখনৰ তেতিয়াৰ তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ দিনতে অঞ্চলটোৰ ৰাইজৰ জীৱন-জীৱিকাক প্ৰত্যক্ষৰূপে প্ৰভাৱিত কৰা বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ আয়ুস ৰেখাস্বৰূপ পহুমাৰা আৰু ৰূপহী দুই নদীক নিয়ন্ত্ৰণৰ জৰিয়তে বৃহত্তৰ অঞ্চলটোৰ কৃষি ভূমিত জলসিঞ্চনৰ উদ্দেশ্যে পহুমাৰা-ৰূপহী জলসিঞ্চন প্ৰকল্প নামেৰে এক মধ্যমীয়া প্ৰকল্প নিৰ্মানৰ কাম আৰম্ভ কৰা হৈছিল। তদুপৰি প্ৰকল্পটোৰ কাম-কাজ সু-পৰিচালনাৰ বাবে সৰুপেটাৰ সমীপৰ গেৰুৱাপাৰ নামেৰে ঠাইত 'পহুমাৰা-ৰূপহী সংমণ্ডল কাৰ্যালয় (জলসিঞ্চন)' নামেৰে বিভাগীয় এক কাৰ্যালয় স্থাপন কৰা হৈছিল। কিন্তু প্ৰকল্পটোৱে অঞ্চলটোৰ কৃষিক্ষেত্ৰখনলৈ বহু যোগাত্মক অৰিহণা আগবঢ়োৱাৰ সম্ভাৱনাক নস্যাৎ কৰি ৰাজ্য চৰকাৰে যোৱা ৮ মে'ৰ এক চৰকাৰী নিৰ্দেশনা অনুসৰি বৰ্তমান উক্ত কাৰ্যালয়টোক 'ভৱানীপুৰ-সৰভোগ জলসিঞ্চন প্ৰকল্প, সৰুপেটা' হিচাপে নামাকৰণ কৰি চৰকাৰে অঞ্চলটোৰ কৃষক ৰাইজৰ স্বাৰ্থক আওকাণ কৰাৰ অভিযোগ উত্থাপন হৈছে।

## লাহৰীঘাটত চাৰি জুৱাৰীক আটক, জুৱাত ব্যৱহৃত সামগ্ৰী জব্দ

**ই-সংবাদ, লাহৰীঘাট, ২৪ মে':** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ টেঙাগুৰিত নিশা আৰক্ষীয়ে জুৱাৰীৰ বিৰুদ্ধে অভিযান চলাই জুৱা খেলি থকা অৱস্থাত চাৰি জুৱাৰীক আটক কৰাৰ লগতে নগদ ধন আৰু জুৱাত ব্যৱহৃত কিছু সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। ধৃত জুৱাৰীকেইটা ক্ৰমে বাহাৰুল ইছলাম, আনাৰ হুছেইন, খাইৰুল ইছলাম আৰু আব্দুল হাই। যোৱা নিশা গোপন সূত্ৰৰ খবৰৰ ভিত্তিত লাহৰীঘাট সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত বৰুৱাৰ নেতৃত্বত আৰু ভেলৌগুৰী আৰক্ষীৰ সহযোগত আৰক্ষীৰ এটি দলে লাহৰীঘাটৰ টেঙাগুৰিত অভিযান চলাই জুৱা খেলি থকা অৱস্থাতে চাৰিজনকৈ জুৱাৰীক আটক কৰাৰ লগতে জুৱাত খেলত ব্যৱহৃত তাচ পাত আৰু নগদ ১২ হাজাৰ ৪৫০ টকা জব্দ কৰে। ধৃত জুৱাৰীকেইটাৰ ঘৰ টেঙাগুৰী, বৰহলৌকান্দা, বটাবৰী আৰু টেঙাগুৰী কছাৰীগাঁৱত। উল্লেখ্য যে দীৰ্ঘদিন ধৰি অঞ্চলটোত এই খেল চলাই থকাৰ অভিযোগ উত্থাপিত হৈ আছিল। স্থানীয় ৰাইজে জুৱাৰ বিৰুদ্ধে চলোৱা এই অভিযানক প্ৰশংসা কৰি অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে এনেধৰণৰ পদক্ষেপ আগলৈও অব্যাহত ৰাখিবলৈ আৰক্ষীক দাবী জনায়।

# ‘লেজাৰ পাৱাৰ’ৰ গাফিলতিত মৰিগাঁৱত বিদ্যুৎস্পৃষ্ট হৈ শ্ৰমিকৰ মৃত্যু

## বিদ্যুৎ কৰ্তন নকৰাকৈয়ে শ্ৰমিকক কামত লগোৱাৰ অভিযোগ

**ই-সংবাদ, মৰিগাঁও, ২৪ মে':** মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ সমীপৰ কপাহেৰাত আজি বিদ্যুৎস্পৃষ্ট হৈ এজন যুৱ শ্ৰমিকৰ মৃত্যু ঘটে। মৃত শ্ৰমিকজন ৰহাৰ অমৰাআটি গাঁৱৰ কৰুণ বৰদলৈ (২৭) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে, মৃত শ্ৰমিকজনে লগত একাংশ শ্ৰমিকৰ লগত জিলাখনৰ কপাহেৰা অঞ্চলত বিদুৎ পৰিবাহী তাঁৰৰ এলানি খুঁটি পুতি আছিল। বিদ্যুৎ বিভাগৰ আৰ ডি এছ এছ আঁচনিৰ অধীনত লেজাৰ পাৱাৰ নামৰ এটা ঠিকাদাৰ প্ৰতিষ্ঠানত দিন হাজিৰা কৰা এই শ্ৰমিকজনে সতীৰ্থৰসকলৰ সৈতে নিজৰ কাম কৰি থকা অৱস্থাত বিদ্যুতৰ খুঁটা এটা হঠাৎ উচ্চ ক্ষমতাসম্পন্ন বিদুৎ পৰিবাহী তাঁৰত সংযোগ ঘটে। ইয়াৰ ফলত বিদ্যুৎস্পৃষ্ট হৈ শ্ৰমিকজন মাটিত ধলি পৰে। এই দুৰ্ঘটনাটোৰ পিছতে সতীৰ্থসকলে শ্ৰমিকজনক ততাতৈয়াকৈ মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্ত্তি কৰে যদিও চিকিৎসকে কৰুণ বৰদলৈক মৃত বুলি ঘোষণা কৰে। শ্ৰমিকজনে মৃত্যুৰ সময়ত পত্নী আৰু এটা ডেৰ বছৰীয়া কন্যা সন্তান এৰি থৈ যায়। উল্লেখ্য যে, আজি কপাহেৰা অঞ্চলত বিদ্যুতৰ খুঁটা পোতা কাৰ্যৰ বাবে লেজাৰ পাৱাৰ নামৰ ঠিকাদাৰ প্ৰতিষ্ঠানটোৱে এ পি ডি চি এলৰ পৰা অঞ্চলটোত বিদ্যুত কৰ্তনৰ অনুমতি লোৱা নাছিল। বিদ্যুত প্ৰৱাহিত অৱস্থাতে খুঁটা পোতাৰ কামত লগাই দিছিল শ্ৰমিকসকলক। লেজাৰ পাৱাৰৰ গাফিলতিৰ বাবেই শ্ৰমিকজনৰ অকাল মৃত্যু হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইপিনে, মৃত শ্ৰমিকজনৰ দুৰ্ভগীয়া পৰিয়ালটোৰ বাবে বহিৰাগত লেজাৰ পাৱাৰ নামৰ প্ৰতিষ্ঠানটোৱে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# মঙলদৈৰ সমাজসেৱী, অভিনেতা প্ৰতুল বৰুৱাৰ মৃত্যুত শোকৰ ছাঁ

**ই-সংবাদ, দুনী, ২৪ মে':** সোণৰ হৰিণ, পুতলা ঘৰকে ধৰি কেবাখনো বোলছবিত সৰল অভিনয়ৰে ৰাইজৰ অন্তৰ চুই যোৱা অভিনেতা তথা সমাজসেৱী মঙলদৈৰ প্ৰতুল বৰুৱা আৰু নাই ।মঙলদৈৰ মিলনপুৰ নিজ আৱাসত ৭৫ বছৰ বয়সত যোৱানিশা শেষ নিশ্বাস ত্যাগ কৰে বৰুৱাই। মৃত্যুৰ আগমুহূৰ্তলৈ সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰে জড়িত বৰুৱাই মৃত্যুৰ সময়ত পত্নী মাইনা বৰুৱা আৰু পুত্ৰ শশাংক বৰুৱাসহ ভৰা সংসাৰ এখন এৰি থৈ যায়। মঙলদৈ মিলনপুৰ উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি, মিলনপুৰ ৰঙালী বিহু সন্মিলনী, মিলনপুৰ বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰে জড়িত বৰুৱা পশ্চিম মঙলদৈ কৃষ্টি সংঘৰ দুৰ্গা পূজা উদযাপন সমিতিৰ লগতে মঙলদৈ ক্ৰিয়েটৰছ ইউনিটৰ লগত জড়িত আছিল। তেওঁ মঙলদৈৰ গৌৰৱ প্ৰয়াত সমৰেন্দ্ৰ নাৰায়ণ দেৱ পৰিচালিত সোণৰ হৰিণ, পুতলা ঘৰ আৰু অৰণ্য ছবিত অভিনয় কৰিছিল। তেওঁৰ মৃত্যুত দৰং জিলা বিজেপিৰ সভাপতি মকুন্দ ডেকা, অগপৰ ৰাজ্যিক উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ড০ জয়নাথ শৰ্মা, জিলা অগপৰ সভাপতি কমলেশ্বৰ বৰুৱা, মঙলদৈৰ বিধায়ক বসন্ত দাস, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসৰ উপৰি ৰঙামাটি মৌজাৰ মৌজাদাৰ মহেন্দ্ৰ বৰুৱাৰ লগতে মঙলদৈ ইউনাইটেড ক্লাব, মঙলদৈ প্ৰেছ ক্লাব, মিলনপুৰ উন্নয়ন সমিতি, মিলনপুৰ ৰঙালী বিহু সন্মিলনী, মিলনপুৰ বিষ্ণুমন্দিৰ পৰিচালনা সমিতি, পশ্চিম মঙলদৈ কৃষ্টি সংঘ, মিলনপুৰ সেউজী পথ উন্নয়ন সমিতিকে ধৰি ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানে শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# কাজিগাঁও আৰক্ষীৰ অভিযানত নাৰী সৰবৰাহকাৰী আটক, জে'ললৈ প্ৰেৰণ

**ই-সংবাদ, পৰ্বতঝোৰা, ২৪ মে':** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁও থানাৰ অন্তৰ্গত দেৰত্তৰ খোপাতি তৃতীয় খণ্ড গাঁৱৰপৰা দুগৰাকী নাবালিকাক সৰবৰাহ কৰা ঘটনাৰ লগত জড়িত এজন নাৰী সৰবাহকাৰীক যোৱানিশা কাজিগাঁও আৰক্ষীয়ে আটক কৰে। জানিব পৰা মতে, কাজিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত দেৰত্তৰ খোপাতি তৃতীয় খণ্ড গাঁৱৰ পৰা দুই নাবালিকাক সাহাৰ আলী নামৰ নাৰী সৰবৰাহকাৰীটোৱে বিভিন্ন প্ৰলোভন দি পশ্চিমবংগলৈ সৰবৰাহ কৰে। সাহাৰ আলীয়ে নাবালিকা দুগৰাকীক বহিঃৰাজ্যলৈ বিক্ৰীৰ যো-জা চলাইছিল বুলি জানিব পৰা গৈছে। নাবালিকা দুগৰাকীৰ নিৰুদ্দেশ সন্দৰ্ভত পৰিয়ালৰ লোকে কাজিগাঁও আৰক্ষী থানাত দিয়া এজাহাৰৰ ভিত্তিত কাজিগাঁও আৰক্ষীয়ে পশ্চিমবংগৰ শিলিগুৰিৰপৰা নাবালিকা দুগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। যোৱা ১৬ মে'ৰ পৰাই নাবালিকা দুগৰাকী সন্ধানহীন হৈ আছিল। কাজিগাঁও আৰক্ষীয়ে ৩৩/২৫ নম্বৰৰ গোচৰ ৰুজু কৰি নাৰী সৰবৰাহৰ মূল অভিযুক্ত সাহাৰ আলীক সোধা-পোছাৰ অন্তত আজি জে'ললৈ প্ৰেৰণ কৰে।



পৰ্বতঝোৰাৰ কাজিগাঁও আৰক্ষীয়ে নাৰী সৰবৰাহৰ অভিযোগত গ্ৰেপ্তাৰ কৰা সাহাৰ আলী নামৰ লোকজন

# কলগাছিয়াত নজৰুল জয়ন্তীৰ আয়োজন

**ই-সংবাদ, কলগাছিয়া, ২৪ মে':** বৰপেটা জিলাৰ কলগাছিয়াত অৱস্থিত অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন জ্যোতি ৰাভা নজৰুল সংঘৰ বাকৰিত আজি দিনজোৱা কাৰ্যসূচীৰে নজৰুল জয়ন্তীৰ আয়োজন কৰা হৈছে। নতুন সাহিত্য পৰিষদৰ কলগাছিয়া শাখা আৰু জ্যোতি ৰাভা নজৰুল সংঘৰ যৌথ উদ্যোগত ভাৰত-বাংলা বিখ্যাত বিদ্ৰোহী কবি কাজী নজৰুল ইছলামৰ ১২৫ সংখ্যক জন্মদিন উপলক্ষে ২৫ মে'ৰ দিনটো নজৰুল জয়ন্তী হিচাপে উদযাপন কৰা হয়। প্ৰতি বছৰৰ দৰে এইবেলিও সংঘৰ্ষৰ কাৰ্যালয়ত নজৰুল জয়ন্তী উপলক্ষে কাইলৈ বিয়লি চাৰি বজাত ‘সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষাত কবি কাজী নজৰুল ইছলামৰ ভূমিকা’ শীৰ্ষক এখনি আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। জ্যোতি ৰাভা নজৰুল সংঘৰ সভাপতি অধ্যাপক আবু বক্কৰ ছিদ্দিকৰ সঞ্চালনত অনুষ্ঠিত হোৱা আলোচনা চক্ৰটি শুভ উদ্বোধন কৰিব কলগাছিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল শৰ্মা বৰুৱাই। লগতে বিষয়বস্তুৰ ওপৰত আলোচনা আগবঢ়াব ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মোছলেম উদ্দিন আহমেদ, গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপক ৰঞ্জিত চৌধুৰী আৰু অসম গ্ৰামীণ বিকাশ বেংকৰ অৱসৰী জ্যেষ্ঠ শাখা প্ৰবন্ধক ইমান আলী আহমেদে। সন্ধিয়া ৭ বজাত নজৰুল গীতৰ জলছাহ উদ্বোধন কৰিব বিশিষ্ট সমাজ সেৱিকা অপৰাজিতা চৌধুৰীয়ে। উক্ত অনুষ্ঠানৰ জৰিয়তে সাম্প্ৰদায়িকতা মষিমুৰ কৰি সমন্বয় আৰু সম্প্ৰীতি প্ৰতিষ্ঠা হোৱাৰ কামনা কৰিছে সংঘৰ সম্পাদক ইদ্ৰিছ আলী আহমেদ আৰু নতুন সাহিত্য পৰিষদ কলগাছিয়া শাখাৰ সম্পাদক ছায়েদ আলীয়ে। লগতে অনুষ্ঠানটো সাফল্য মণ্ডিত কৰিবলৈ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে নতুন সাহিত্য পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহ সদস্য শ্বহিদুল ইছলামে।

# শিশুৰ মৃত্যুক কেন্দ্ৰ কৰি যোৰহাটৰ চাংচোৱা চাহ বাগিচাত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৪ মে':** যোৰহাট জিলাৰ পুলিবৰ থানাৰ এলেকাভুক্ত চাংচোৱা চাহ বাগিচাৰ এটা পুখুৰীত পৰি এটি শিশুৰ অকাল মৃত্যু হোৱাত বাগিচাখনৰ চিকিৎসালয়ৰ ফাৰ্মাচিষ্ট, নাৰ্ছৰ গাফিলতি আৰু এম্বুলেন্স যোগান নধৰাৰ অভিযোগত বাগিচাখনৰ শ্ৰমিকসকলে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাত পুলিবৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰি আছে। ঘটনাৰ বিৱৰণী মতে, চাংচোৱা চাহবাগিচাৰ হাটখোলাৰ নিৱাসী অৰূপ ঘাটোৱাল-পুৰ্ণিমা ঘাটোৱালৰ একমাত্ৰ পুত্ৰ চাংচোৱা হাটখোলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ সুৰজ ঘাটোৱাল আনদিনাৰ দৰে আজিও বিদ্যালয়লৈ গৈছিল। পিতৃ-মাতৃ কামলৈ যোৱাত আইতাক ঘৰত আছিল। শনিবাৰ বাবে দিনৰ ১০.৩০ বজাত বিদ্যালয়ৰ পৰা ছাত্ৰজন ঘৰলৈ আহে আৰু কিতাপ-পত্ৰ থৈ ঘৰৰ পিছফালে হালবাই থকা স্থানত মাছ ধৰিবলৈ যায়। ক'লা পলিথিনৰ বেগ এটাত ধৰা মাছ লৈ ছাত্ৰজন ঘৰলৈ ৰাম শ্যাম কুৰ্মীৰ বাৰীৰে আহি থাকোঁতে ৰাম শ্যাম কুৰ্মীয়ে ঘৰৰ ভেটি বান্ধিবলৈ খান্দি অনা গাঁতত ছাত্ৰজন পিছলি পৰে। এই কাৰ্য ৰাম শ্যাম কুৰ্মীৰ পৰিয়ালৰ এগৰাকী মহিলাই দেখি চিঞৰ-বাখৰ কৰে। স্থানীয় লোক উপস্থিত হৈ শিশুটিক সমীপৰে চাংচোৱা বাগান চিকিৎসালয়লৈ লৈ যায়। চিকিৎসালয়ৰ ফাৰ্মাচিষ্ট, নাৰ্ছে প্ৰাথমিক চিকিৎসা কৰে যদিও পিতৃ-মাতৃ চাহ বাগিচাখনৰ পাৰমানেণ্ট-ফাল্টু কৰ্মচাৰী নে জানিব বিচাৰি পলম কৰে আৰু বাগিচাখনৰ এম্বুলেন্সখন দিয়াত অমান্তি হয়। শিশুটোৰ পিতৃ অৰূপ ঘাটোৱালে পুৰণা লাইন গাঁওৰক্ষী বাহিনীৰ সম্পাদক বিকাশ কুৰ্মীক ততাতৈয়াকৈ শিশুটিক চিকিৎসালয়লৈ নিবৰ বাবে তেওঁৰ গাড়ীখন লৈ আহিবলৈ অনুৰোধ জনোৱাত তেওঁ আঁতৰত থকাত বন্ধু মুকেশ হাজামক খবৰ দিয়াত তেওঁ গাড়ীসহ উপস্থিত হৈ শিশুটিক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ লৈ যায়। দিনৰ প্ৰায় ১১.১৫ বজাত সংঘটিত ঘটনাটো জে এম চি পোৱালৈকে যথেষ্ট পলম হোৱাত চিকিৎসকে শিশুটিক মৃত ঘোষণা কৰে। মৰণোত্তৰ পৰীক্ষা কৰি শিশুটিক পৰিয়ালৰ লোকক চমজাই দিয়ে আৰু চাহ বাগিচাখনলৈ শিশুটিক লৈ অহাৰ পিছতে চাহ বাগিচাখনলৈ পুৰুষ-মহিলাসকল ওলাই আহি বাগানৰ চিকিৎসালয়খন ঘেৰাও কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। শ্ৰমিক-কৰ্মচাৰীসকলৰ অভিযোগ চিকিৎসালয়খনত চৰকাৰে দিয়া দুখনকৈ এম্বুলেন্স থকাৰ পিছতো শিশুটিক উন্নত চিকিৎসাৰ বাবে জে এম চিলৈ নিবলৈ দিয়া নহ'ল কিয়, পাৰমানেণ্ট-ফাল্টু শ্ৰমিকৰূপে বিচাৰ কৰি শিশুটিক চিকিৎসাৰ ক্ষেত্ৰত পলম কৰিলে কিয়, পুৰা ডাক্তৰ আৰু কম্পাউণ্ডাৰ থাকে যদিও দিনটো চিকিৎসালয়ত নাথাকে কিয় আদি এশ এবুৰি প্ৰশ্ন উত্থাপন কৰে শ্ৰমিক পুৰুষ-মহিলাসকলে। এই খবৰ পাই পুলিবৰ থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় যদিও বাতৰি যুগুত কৰাৰ সময়লৈকে পৰিস্থিতি অব্যাহত আছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক পুষ্পধৰ বৰাই জনোৱা মতে, ঘৰখনৰ একমাত্ৰ সন্তান সুৰয ঘাটোৱাল। প্ৰথম শ্ৰেণীৰ মেধাৱী ছাত্ৰজনৰ মৃত্যুত বিদ্যালয়খনৰ ৬৭ গৰাকী শিক্ষাৰ্থীসকলৰ লগতে প্ৰধান শিক্ষক আৰু সহকাৰী শিক্ষক পংকজ দাস, অভিভাৱক, সমিতিৰ সৈতে জড়িতসকলে গভীৰ শোক প্ৰকাশ কৰিছে। শিশুটিক ইতিমধ্যে সমাধিস্থ কৰিবৰ বাবে লৈ যোৱা হৈছে।

## কোকৰাঝাৰত কোঁচ-ৰাজবংশী সাহিত্য সভাৰ অধিৱেশন-প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, তামাৰহাট, ২৪ মে':** কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ জাতীয় তথা বৃহৎ সংগঠন কোঁচ-ৰাজবংশী সাহিত্য সভাৰ ১৬ সংখ্যক্ বাৰ্ষিক অধিৱেশন আৰু ৩৩ সংখ্যক্ প্ৰতিষ্ঠা দিৱস লগতে কোঁচ-ৰাজবংশী লেখিকা সভাৰ প্ৰথম বাৰ্ষিক অধিৱেশন কোকৰাঝাৰ জিলাৰ শক্তিআশ্ৰমস্থিত স্বামী যোগানন্দগিৰী সমন্বয়ক্ষেত্ৰত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। আজি দ্বিতীয় দিনৰ কাৰ্যসূচী মতে পুৱা দহ বজাত কেপ্টেইন নলিনীৰঞ্জন ৰায়ৰ সঞ্চালনাত আৰম্ভ হোৱা 'কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ পূৰ্নাংগ ইতিহাস সংকলন" আলোচনা চক্ৰৱ উদ্বোধন কৰে স্বামী যোগানন্দগিৰি মহাবিদ্যালয়ৰ অধ্যক্ষ হাকিম আলী পৰামানিকে। দিনৰ ১২ বজাৰ পৰা বিশিষ্ট সাহিত্যিক ড° লাবণ্য ভকতৰ সঞ্চালনাত আৰম্ভ হয় ৰাজবংশী ভাষাৰ কবি সন্মিলন। উক্ত কবি সন্মিলনত ক্ৰমে কোঁচ-ৰাজবংশী লেখিকা সভাৰ সাধাৰণ সম্পাদিকা তথা বিশিষ্ট কবি সৌদা বৰ্মন, ড° দ্বিজেন্দ্ৰ নাথ ভকত, তৰুণ বিজয় ৰায়, অপূৰ্ব বৰ্মন, কৃষ্ণ বৰ্মন, কমল ৰায়কে ধৰি বহুত কবিয়ে ৰাজবংশী ভাষাত স্বৰচিত কবিতা পাঠ কৰে। তিনি বজাত কোচ ৰাজবংশী লেখিকা সভাৰ সভানেত্ৰী নিবেদিতা ৰায়ৰ পৰিচালনা অৰম্ভ হয় কোচ ৰাজবংশী লেখিকা সভাৰ কাৰ্যনিৰ্বাহক সভা আৰু প্ৰতিনিধি সভা। উক্ত প্ৰতিনিধি সভাত লেখিকা সভাৰ সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰাৰ উপৰি ৰাজবংশী ভাষা, সাহিত্য আৰু কলা-কৃষ্টিৰ কেনেকৈ উন্নতি কৰিব পাৰি তাৰ ওপৰত কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। পাঁচ বজাৰ পৰা কোঁচ-ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতৰ সভাপতিত্বত অনুষ্ঠিত হয় কোঁচ-ৰাজবংশী সাহিত্য সভাৰ কৰ্যনিৰ্বাহক সভা আৰু প্ৰতিনিধি সভা। প্ৰতিনিধি সভাত যোৱা কাৰ্যকালৰ সম্পাদকীয় পাঠ কৰে সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে। ৰাজবংশী ভাষা, সাহিত্য আৰু কলা-কৃষ্টিৰ ওপৰত আলোচনা কৰাৰ উপৰি কোঁচ-ৰাজবংশী সাহিত্য সভাৰ সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰি কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। ৬.৩০ বজাৰ পৰা কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ জ্বলন্ত সমস্যাসমূহৰ ওপৰত আলোচনা চক্ৰ আৰম্ভ হয়। আলোচনা চক্ৰত কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সংগঠনৰ নেতৃবৃন্দই অংশ গ্ৰহণ কৰে।

## চামতাত ষ্টেট বেংকৰ উদ্যোগত কৃষক সভা সম্পন্ন

**ই-সংবাদ, চামতা, ২৪ মে':** ভাৰতীয় ষ্টেট বেংকৰ চামতা শাখাৰ উদ্যোগত নলবাৰী কৃষি বিভাগৰ সহযোগত আজি চামতাৰ পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ প্ৰেক্ষগৃহত এখন কৃষক সজাগতা সভা অনুষ্ঠিত হয়। শতাধিক খেতিয়ক, আত্মসহায়ক গোটৰ সদস্য, গাঁও প্ৰধান উপস্থিত থকা সভাখনৰ উদ্দেশ্য বাখ্যা কৰে এছ বি আইৰ চামতা শাখাৰ পৰিচালক ৰতন চন্দ্ৰ কলিতাই। কৃষকসকলে অসম চৰকাৰৰ কৃষি বিভাগৰ জৰিয়তে এছ বি আইৰ পৰা অতি কম সুদৰ কে চি চি ঋণ কোনে কোনে আৰু কি কি চৰ্তত লাভ কৰিব পাৰে সেই বিষয়ে সজাগ কৰাৰ বাবে কৃষক সভাখন অনুষ্ঠিত কৰা হয়। সভাত নলবাৰী কৃষি বিভাগৰ নলবাৰী জিলা কৃষি উন্নয়ন বিষয়া মৃদুপৱন মুদৈ আৰু এছ বি আইৰ বৰপেটাৰ ঋণ অনুমোদন কাৰ্যালয়ৰ মুখ্য প্ৰবন্ধক বিষয়া ৰামকৃষ্ণ সাহাই ক্ৰমে কৃষি বিভাগে কৃষকলৈ আগবঢ়োৱা সা-সুবিধা, শস্য বীমাৰ সুবিধা আৰু ভাৰতীয় ষ্টেট বেংকে কৃষকসকলৰ বাবে লোৱা বিভিন্ন কৃষি ঋণ আঁচনিৰ বিষয়ে কয়। সভাত একাধিক সফল কৃষককেও চমু ভাষণ প্ৰদান কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# নগাঁৱত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰ্টিষ্টিক জিমনাষ্টিকছৰ বিচাৰক পাঠ্যক্ৰমৰ কাৰ্যসূচী

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৪ মে’:** সৰ্বভাৰতীয় জিমনাষ্টিকছ ফেডাৰেচনে অসম জিমনাষ্টিকছ সংস্থাৰ ব্যৱস্থাপনাত আৰু নগাঁও ক্ৰীড়া সংস্থাৰ সহযোগত আজিৰে পৰা ২৬ মে’লৈকে ১৬ সংখ্যক ২০২৫-২০২৮ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ “ মেগ ” ( MAG ) আৰু “ ৱাগ ” ( WAG ) ৰ বিচাৰকৰ বাবে পাঠক্ৰমৰ কাৰ্যসূচী আৰম্ভ কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ স্প’ৰ্টছ ক্লাব পেভিলিয়ন সভাগৃহত আয়োজিত পুৰুষ আৰু মহিলাৰ আৰ্টিষ্টিক জিমনাষ্টিকছৰ বিচাৰকৰ বাবে প্ৰথম দুদিন পাঠক্ৰমৰ কাৰ্যসূচীৰ শেষত অৰ্থাৎ তৃতীয় দিনাখন বিচাৰকৰ পৰীক্ষা অনুষ্ঠিত কৰিব। পোনপ্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত অনুষ্ঠিত এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰ্টিষ্টিক জিমনাষ্টিকছৰ বিচাৰকৰ পাঠ্যক্ৰম কাৰ্যসূচীৰ আজি আনুষ্ঠানিকভাৱে অসম জিমনাষ্টিকছ সন্থাৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰে। অসম জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদক উজ্জল বৰুৱাই আঁত ধৰা শুভাৰম্ভণি অনুষ্ঠানত সৰ্বভাৰতীয় জিমনাষ্টিকছ ফেডাৰেচনৰ কাৰিকৰী বিশেষজ্ঞদ্বয় মহাৰাষ্ট্ৰৰ সঞ্জীৱনী পূৰ্ণপাত্ৰে আৰু হায়দৰাবাদৰ কে ভৰথদ্বাজৰ লগতে নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস, অসম জিমনাষ্টিকছ সন্থাৰ উপসভাপতি হুচনে কামাল মাহমাদুৰ ৰহমান, ক্ৰীড়া সংগঠক অনিল দাস আৰু প্ৰান্তৰ ভট্টাচাৰ্যৰ লগতে আন কেইবাগৰাকীও ক্ৰীড়া সংগঠক উপস্থিত থাকে। এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিচাৰকৰ পৰীক্ষাৰ্থীসকলে আজি ক’ড অৱ পইণ্ট সম্পৰ্কত প্ৰশিক্ষণ গ্ৰহণ কৰে। অসম জিমনাষ্টিকছ সংস্থাৰ সাধাৰণ সম্পাদক উজ্জল বৰুৱাই জানিবলৈ দিয়ামতে, দেশৰ বিভিন্ন প্ৰান্তৰ পৰা দুকুৰিৰো অধিক পৰীক্ষাৰ্থী ( পুৰুষ-মহিলা ) য়ে এই পাঠ্যক্ৰম কাৰ্যসূচীত যোগদান কৰিছে।



অনুৰাগীৰ সৈতে চেলফি
জিম্বাব’ৱেৰ তাৰকা ক্ৰিকেটাৰ ভিক্টৰ নায়াউচিৰ



আইপিএল ২০২৫: অলপ খেল, অলপ ধেমালি... দিল্লী বনাম পঞ্জাবৰ মেচৰ পূৰ্বে শ্ৰেয়ছ আয়াৰ আৰু ডুপ্লেছিছ

## এই ষ্টেডিয়ামৰ পৰাই বহু প্ৰতিভাৰ সপোন দিঠক হবঃ চৰণ বড়ো

# ১০ কোটি ব্যয় সাপেক্ষে নিৰ্মিত ওদালগুৰি ষ্টেডিয়াম উদ্বোধন

**ই-সংবাদ, ওদালগুৰি, ২৪ মেঃ** প্ৰায় সাত বছৰ প্ৰতিক্ষাৰ অন্তত আজি উদ্বোধন কৰা হয় ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা ওদালগুৰি ফুটবল ষ্টেডিয়াম। প্ৰায় ২০১৮ চনতে তেতিয়াৰ মাজবাট সমষ্টিৰ অধীনস্থ ওদালগুৰিৰ পুৰণি গবৈবাৰীত নিৰ্মাণকাৰ্য আৰম্ভ কৰা ষ্টেডিয়ামখন আজি শুভ উদ্বোধন কৰে মাজবাট বিধানসভা সমষ্টিৰ বিধায়ক চৰণ বড়োৱে। ইয়াৰ পূৰ্বে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পন কৰে বিটিচিৰ ধনশ্ৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ ফ্ৰেছ মোছাহাৰীয়ে। উদ্বোধন কৰি প্ৰদান কৰা ভাষণত বিধায়কগৰাকীয়ে কয়, "এয়া মোৰ এক সপোনৰ প্ৰকল্প আছিল ওদালগুৰি ষ্টেডিয়াম। ইয়াৰ জৰিয়তে ওদালগুৰি জিলাৱাসীয়ে এক বিশেষ সম্পদ লাভ কৰিলে। কোকৰাঝাৰৰ সাই ষ্টেডিয়ামৰ পাছত এইখন হয়টো দ্বিতীয় উন্নত ধৰণৰ ষ্টেডিয়াম হিচাপে বিৱেচিত। ২০১৮ চনত অসমৰ প্ৰতিটো বিধানসভা সমষ্টিত উন্নয়ণমূলক বিশেষ প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে প্ৰতিগৰাকী বিধায়ককে ১০ কোটি টকাকৈ প্ৰদান কৰিছিল। মই বিধায়ক হিচাপে মোৰ সমষ্টিত মোৰ সপোনৰ প্ৰকল্প হিচাপে ১০ কোটি টকাৰ এই উন্নতমানৰ ষ্টেডিয়ামখন স্থাপনৰ সপোন দেখিছিলো আৰু সেই সপোন আজি বাস্তৱত ৰূপায়িত হ’য়। কিন্তু অতি দুখৰ বিষয় এয়ে যে যোৱা ২০২৩ চনত সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ ফলত এই ষ্টেডিয়ামখন মাজবাট বিধানসভা সমষ্টিৰ পৰা ওদালগুৰি বিধানসভা সমষ্টিলৈ যায়গৈ। তৎসত্বেও এই প্ৰকল্পৰ জৰিয়তে ওদালগুৰিৰ ক্ৰীড়াক্ষেত্ৰখনৰ যথেষ্ট উন্নয়ণ হব বুলি আশা প্ৰকাশ কৰিছো। আশা কৰো এইখন ষ্টেডিয়ামত খেলিয়েই আমাৰ অঞ্চলৰ ফুটবল খেলুৱৈয়ে দেশৰ লগতে আন্তৰাষ্ট্ৰীয় পৰ্যায়লৈ যাবলৈ সক্ষম হব।" উল্লেখ্য যে উক্ত ষ্টেডিয়ামখনত ২০০০ আসনযুক্ত পেভিলিয়ন গেলাৰীৰ লগতে কাৰ্যালয়, খেলুৱৈ জিৰণি কক্ষ, ভিআইপি কক্ষ, সভাগৃহৰ লগতে আৰ্ট গেলাৰী সংলগ্ন কৰা হৈছে। আজি উদ্বোধনী অনুষ্ঠানৰ পাছতেই এখন প্ৰীতি মহিলা ফুটবল খেল অনুষ্ঠিত কৰাৰ সমান্তৰালভাৱে আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হয়। আজিৰ এই উদ্বোধনী অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰী, ষ্টেডিয়ামখনৰ নিৰ্মাণকাৰ্য সম্পন্ন কৰা এম এম কনষ্টাকশ্বনৰ স্বত্বাধিকাৰী মিনন মছাহাৰী, বিটিচিৰ প্ৰাক্তন অধ্যক্ষ ত্ৰিদীপ দৈমাৰীৰ লগতে বহুতো বিশিষ্ট লোক আৰু কেইবা শতাধিক দৰ্শক উপস্থিত থাকে।


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON


বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি